গল্প

# নিয়তি

- হেমপ্ৰভা ৰাভা-
স্নাতক চতুৰ্থ ষাণ্মাষিক

'মা' বজাৰলৈ আমি কেতিয়া যাম? চোতাল সৰাত ব্যস্ত মাকে নিশাৰ প্ৰশ্নৰ উত্তৰ নিদিলে। কি ছোৱালী এইজনী। কালিৰে পৰা একেটা কথাকে সুধি সুধি ব্যতিব্যস্ত কৰি তুলিছে মাকক।

কণমানি ছোৱালী নিশা বৰ মৰম লগা। শিশুসুলভ স্বভাৱেৰে তাই মাকক বহু প্ৰশ্নই সোধে। মাকে তাইৰ প্ৰশ্ন উত্তৰ দিব অপৰাগ। তাই সোধা প্ৰশ্নৰ উত্তৰৰ সৈতে মাকৰ বেদনা সিক্ত জীৱনৰ বহু কথা জড়িত হৈ আছে। সেইবাবে মাকে তাইৰ প্ৰশ্নৰ উত্তৰ নিদি মনে মনে নিজৰ কামবোৰ যায়। ভাটৌৰে মাত মতাৰ দৰে তাই কথা ক'ব পহৰা হৈছে। মনত তাইৰ বহু প্ৰশ্ন। থুনুক-থানাক মাতেৰে সোধে তাই। চোতাল সৰা হোৱাই নাই মাকৰ নিশাই গৈ আকৌ সুধিলে- 'মা সোনকালে কৰা না।' শুনিও নুশুনাৰ ভাও ধৰি মাকে চোতাল সাৰি গ'ল।

ৰাতিপুৱাৰ নিত্য নৈমিত্তিক কাম হ'ল চোতাল সৰা। তাই প্ৰথমে এই কামটো সম্পূৰ্ণ কৰাৰ পিছতহে অইন কামত ধৰে। পাকঘৰত সোমাই তাই বিপাঙত পৰিল। তেল দেখোন অকনো নাই। কি কৰা যায়। ৰান্ধিম বুলি কাটি থোৱা উৰহীখিনি নৰান্ধাকৈ থৈ দিলে। শুদা ভাত খাই খাই অভ্যস্ত হৈ গৈছে সিহঁত। হাঁহি উঠে নিশাৰ মাক সেউতীৰ। সঁচাই জীয়াই থাকিবলৈ খালেতো সুদা ভাত খালেও হয়।

বাহিৰলৈ ওলাই আহি দেখিলে নিশাজনীয়ে বেৰত আউজি আছে। মাকে তাইৰ হাতত ধৰি টানি আনিলে। 'চাঁও ইয়াৰ পৰা আঁতৰ হ।' ঘৰটোৰ অৱস্থা একেবাৰে শোচনীয়। এটাই ঘৰ, তাতেই ৰান্ধে কৰে, তাতেই শোৱে। চাল-বেৰ বোৰো উখহী গৈছে। বৰষুণ দিলে টোপ টোপ কৈ পানী সোমায় ঘৰৰ ভিতৰত। সেউতীয়ে ভাৱে ঘৰটো আনক ভাল কৰিবলৈ দিব নেকি? আকৌ ভাৱে টকা ক'ত পাব। কাম কৰি যিখিনি পায় খাবলৈকে নোজোৰে আৰু ঘৰটো মেৰামতি কৰাৰ খৰচ ক'ত পাব। তাই দেখিছে আৰু শুনিছেও চৰকাৰৰ পৰা ঘৰ পোৱা কিন্তু তাইকতো দিয়া নাই, পোৱাও নাই। ক'ত পাব, তাই যে দুখীয়া, অবলা নাৰী। কোনোৱে তাইক ভাল নাপায়। অৱশ্যে ভাল নোপোৱাৰ কাৰণো আছে। দাইনী সন্দেহৰ বলি তাই। গাঁৱত যিমান বেমাৰ হয়, তাইৰ কাৰণে হয় বুলি গাঁওৰ মানুহে বিশ্বাস কৰে। তাইৰ গিৰিয়েকৰ মৃত্যুও হেনো তাইৰ কাৰণে হৈছে কিন্তু তাই জানে তাই আজি গিৰিয়েকক হেৰুৱাব লগা হৈছে মাথো এই নিষ্ঠুৰ, মমতাহীন মানুহবোৰৰ কাৰণে। যদি গিৰিয়েকৰ অসুখৰ সময়ত অকণমান টকা ধাৰলৈ পালেহেঁতেন, যদি তাইৰ গিৰিয়েকক হস্পিতাললৈ নিব পৰা গ'লহেঁতেন; তেতিয়া হয়তো ইমান .......। উহ! অসহ্য লাগে তাইৰ এইবোৰ ভাবিলে। তাই ভাগৰি পৰে, হতাশাই আৱৰি ধৰে আৰু খংখিনি জাপি দিয়ে বেচেৰী কণমানি নিশাজনীৰ ওপৰত। তেতিয়া নিশাই কান্দি কান্দি কয়- 'মা তুমি মোক কিয় খং কৰিছা; দেউতা আহিলে তোমাক কৈ দিম ৰবা।' মাকে তেতিয়া নিশাক বুকুৰ মাজলৈ সুমুৱাই আনি মৰম কৰে। কি যে হয় তাইৰ মাজে মাজে নিজেই নুবুজে তাই। তাইৰ দুচকু চকুপানীৰে সেমেকি উঠে। নিশাই গম পায় মাকে কান্দিছে। তাই তেতিয়া কোমল সুৰেৰে কয়- 'মা তুমি কান্দিছা?' দেউতাক খং নকৰিবলৈ কম দিয়া মই। মা তুমি নাকান্দিবা না।'

নিশাই নুবুজিলেও তাই বুজি পায় দেউতাক যে আৰু উভতি নাহে। নিয়তীৰ কি নিৰ্মম পৰিহাস। কাঢ়ি লৈ গৈছিল এদিন নিশাৰ দেউতাকক নিৰ্দয়ভাৱে। তেতিয়া নিশাৰ বয়স মাথোন এমাহ আছিল, কণমানি। সেই দিন ধৰি তাই যে কেনেকৈ জীয়াই আছে আৰু নিশাক এইখিনি ডাঙৰ কৰিলে, সেয়া কেৱল তাইহে বুজে।

গিৰিয়েকৰ সতে এখন সুখৰ সংসাৰ গঢ়াৰ সপোন ৰচিছিল সেউতীয়ে। এখন মৰম, চেনেহেৰে ভৰা সংসাৰ। হাঁহিবোৰ কস্তুৰাৰ দৰে বতাহত উৰি ফুৰিব। দুয়ো দুয়োৰে সুখ-দুখৰ লগৰী হ'ব। কিন্তু তাইৰ হৃদয়ৰ পঁজা উৰুৱাই লৈ গ'ল এজাক কাল ধুমুহাই। অতীতৰ স্মৃতি তাই মচি পেলাব নোৱাৰে, কি দুখবহ আছিল সেই দিন, যিটো দিনত তাই মচিব লগা হৈছিল শিৰৰ সেন্দুৰকণ, ম্লান কৰিছিল তাইৰ জোনাক সৰা হাঁহিটি, সোণালী সপোনবোৰ হৈ পৰিছিল নিচিহ্ন। খং উঠে তাইৰ সেইবোৰ মানুহৰ ওপৰত, ঘৃনা উপজে যিবোৰে কেৱল নিজৰ কথা ভাবে। টকা লাগে, টকাৰ ওপৰত শুলেহে সিহঁতৰ টোপনি আহে। কিন্তু এজনী অবলা নাৰীক সহায় কৰিবলৈ এটকা নোলায়। এইবোৰ মানুহেই আধুনিকতাৰ ওখ চিৰিত খোজ দি বিজ্ঞানৰ মিছা জয় গান গাই তাইক দাইনী সজাইছিল। উহঃ কি যন্ত্ৰনাকাতৰ। তাই ইফালে কোচত এমহীয়া কেচুৱাটি লৈ টকা বিচাৰিছিল চিকিৎসাৰ কাৰণে। কিন্তু চকুৰ পানীয়ে কাৰো মন গোলাব নোৱাৰিলে। মাথো চকু পানী টুকি গিৰিয়েকৰ উহ আহ কৰা কেকনিবোৰ শুনি থাকিল, নিৰৱে মাথো চাই ৰ'ল মৰমৰ গিৰিয়েকে নিশ্বাস ত্যাগ কৰা সেই মৰ্মান্তিক দৃশ্যটি। সেই ৰাতিয়ে তাইৰ জীৱনলৈ আহিছিল ধুমুহা বৰষুণৰ আদিম নৃত্যৰ মতলীয়া ৰাগৰ নিৰ্মম সময়। সি মৰি থাকিল। অস্ত যোৱা সুৰুযৰ দৰে তাইৰ সুখৰ সংসাৰখন অস্তগামী হৈ গ'ল। আশাবোৰ চুৰ-মাৰ হৈ গ'ল, ডেউকা ভগা পক্ষীৰ দৰে পৰি ৰল তাইৰ সোপনবোৰ, তাইৰ ৰঙিণ আশাবোৰ। ৰূঢ় বাস্তৱৰ নিষ্ঠুৰ আঘাতৰ হেচাত তাই হাৰি গ'ল। তাই কেতিয়াবা খুউব কান্দে। বহুতে তাইক ইতিকিং কৰে দুখীয়া বুলি, ঘিণ কৰে লেতেৰা বুলি, খং কৰে দাইনী বুলি, বহুতে আকৌ তাইৰ হাতৰ পৰা বস্তু নলয় বিধবা বুলি। কিন্তু তাই এইবোৰকো নেওচি নিশাজনীক ডাঙৰ কৰিব বিচাৰে। ভগৱনাৰ ওচৰত তাই কেতিয়াবা খং কৰে আকৌ কেতিয়াবা ধন্যবাদ দিয়ে কাৰণ তাই গিৰিয়েকক বহুত ভাল পাইছিল। যদি তাইৰ কিবা এটা হ'লহেতেন সেই এমহীয়া কেচুৱাটি লৈ কম শাস্তি পালেহেঁতেননে। তাইয়ে পাওঁক য'ত দুখ-কষ্ট কিন্তু তথাপিতো গিৰিয়েকৰ দুখ-কষ্ট হোৱাটো তাই ভাবিব নোৱাৰে। তাই এতিয়া নিজক শান্তনা দিয়ে, মানুহৰ অতীত জীৱনত কি ঘটিছিল সেয়া ডাঙৰ কথা নহয়, বৰ্তমান জীৱনটো সুন্দৰ কৰাটোহে ডাঙৰ কথা।

"মা কি হ'ল?" নিশাৰ মাতত তাইৰ তন্ময়তা ভাগিল। বতাহে কপাই তুলিলে তাইৰ উশৃংখল কেশ। চকুৰ কোণত বিষাদৰ চকুপানীয়ে তিৰবিৰালে। শিশুৱে নাজানে দুখৰ উত্তাপ, নাজানে মনৰ অভাৱ। নিশাই হয়টো মাকৰ আবেগৰ ঢৌ দেখি কিবা অলপ বুজি পায়। নিশাই তাইৰ আলফুল কোমল হাতেৰে মাকৰ চকুপানীখিনি মচি দিয়ে। এটি শেঁতা হাঁহি মাৰি নিশাক বুকুৰ মাজলৈ সুমুৱাই আনি কপালত এটি চুমা আঁকি দিলে।

ওচৰৰে গাঁৱৰ তিৰোতা এগৰাকীয়ে কাপোৰ বৱৰ বাবে তাইক টকা দি গৈছে, সেই টকাৰে তাই এযোৰ কাপোৰ দিম বুলি নিশাক কৈছে। তাৰ বাবেহে নিশা আজি ইমান উত্ৰাৱল হৈ আছে। তাই আগতে কিমান গামোচা, বিছুৱান, মেখেলা বৈছিল। ফুলবোৰ আছিল তৰাবোৰৰ দৰে। মিহি, খটখটীয়া, নিখুট আছিল কাপোৰবোৰ। গিৰিয়েকৰ মৃত্যুৰ পিছৰে পৰা তাই কাপোৰ বোৱা নাছিল। কিন্তু এতিয়া তাই আকৌ কাপোৰ বব। কেৱল শালখনৰ খুটাবোৰ তেনেই ভাগি গৈছে; নতুনকৈ খুটাৰ বাবে তামোল গছ এডালকে কটাটো থিৰাং কৰিছে। এইখিনি কৰাৰ পিছতহে তাই বজাৰলৈ যাব, নিশাৰ বাবে কাপোৰ কিনিব।

"মাজনী আৰু অলপ পিছত যাম দেই।" নিশালে চাই এটি মিঁচিকিয়া হাঁহি মাৰিলে। নিশাই এটি হাঁহি মাকক উপহাৰ দি সৰি থকা শেৱালী বুটলাত লাগিল।

তামোল গছ জোপা বাহৰি পৰিল ঢুপুচকৈ। কিন্তু এয়া কি গছডালৰ লগতে চোন এয়া কণমানি নিশাজনীও। শেৱালী ফুল বুটলি ফ্ৰকটো আধালৈ দাঙি নিশাই মাকক দেখুৱাবলৈ দৌৰি আহোতে দুৰ্ভাগ্যবশতঃ গছডাল নিশাৰ মুৰৰ ওপৰতে পৰিল। মুৰ ফাটি তেজ বৈ গ'ল। তাই 'মা' বুলি মাথো এবাৰ মাতিলে আৰু নিথৰ নিস্পলক হৈ শুই পৰিল

শেৱালী ফুলবোৰৰ ওপৰত, যিবোৰ তাই নিজেই বুটলিছিল। শেৱালীৰ বগা, কমলা আৰু তাইৰ তেজৰ ৰঙা বং এক হৈ গ'ল। মাকে দৌৰি আহিল তাইৰ কাষলৈ। চিৰ দিনলৈ শুই থকা নিশাজনীলৈ তাই বহু সময় চাই ৰল তাৰ পিছত নিজৰ হাতখন এবাৰ চাই আকৌ নিশালৈ এবাৰ চাই সশব্দে হাঁহিলে। নিশাজনীৰ গাত জোকাৰি তাই ক'লে- "অই মাজনী, নিশা, উঠ বল আমি বজাৰলে যাম, উঠ আমি কাপোৰ কিনিম, ধুনীয়া ফ্ৰক কিনিম, উঠ না।"

তাই আকৌ তামোল গছডালৰ কটা গুৰিটোলৈ গৈ চিএঞৰি টিএঞৰি কান্দিবলৈ ধৰিলে। হঠাৎ কান্দোন এৰি তাই কবলৈ ধৰিলে— "দেউতাৰাও মোক এৰি গুছি গ'ল, তয়ো গলি। যা চব গুছি যা; যা যা চব যা মই এতিয়া....... মই, যা যা যা........হাঃ হাঃ হাঃ হাঃ

ধুমুহাৰ দৰে এজাক বলীয়া হাঁহি।

◻◻◻

গল্প

# এমুঠি বিষাদ

- কুইন ৰাভা -
*স্নাতক প্ৰথম ষাণ্মাষিক*

ভাল লগা কিবা এটা হেৰাই গলে তাক নোপোৱাৰ যন্ত্ৰণা কিমান সেয়া কেৱল বুজা জনেহে অনুভৱ কৰিব পাৰে। জীৱন নদীৰ যৌৱনৰ প্ৰথমটো ঘাটতে পিছল খালো। পাখি মেলি উৰিব খোজা কল্পনাই মুখ থেকেছা খাই পৰিল। অভিলাস- 'আজিলৈও নুবুজিলো তোমাক।' হয়তো তাৰ কাৰণে এতিয়াও তোমাৰ মোহ এৰিব পৰা নাই। তেতিয়াই মই নিঃসংগ হওঁ, তেতিয়াই একেটা কাৰণতে মোৰ বুকুখন ধপধপাই উঠে। কিবা এটা হেৰাই যোৱাৰ বেদনাত বুকুৰ ভিতৰৰ কোনোবা এটুকুৰা বেদনাই বুকুৰ ভিতৰত খুন্দা মাৰে আৰু দুচকুয়েদি চকুলো নিগৰে। স্মৃতিৰ অবুজ মৰমৰ লিহিৰি অনুভূতিত হয়তো গোপনে অন্তৰৰ পৰা গুচি যায় হৃদয়ৰ অজান আপোনজন, ৰৈ যায় মাথো দাগ।

প্ৰতিদিনৰ দৰে নাচাও নাচাও ভাবিলেও চলি থকা বাছখনৰ সোঁপিনৰ খিৰিকীখনেৰে চাই পঠিয়ালো বাহিৰৰ সেই পুৰণি পাণ দোকানখনলৈ। কিজানি আজি দেখাই পাও। নাই নেদেখিলো, পাৰ হৈ যোৱা দিন কেইটাৰ দৰে আজিও দেখা নাপালো তাক। বিষাদ ভৰা মনেৰে বাছখনৰ ভিতৰৰ পিনে মুখ ঘূৰালো। ইতিমধ্যে কন্দাক্তৰে ভাড়া ল'বলৈ মোৰ কাষত থিয় হৈ আছে, আগতে সাজু কৰি থোৱা সোঁহাতৰ টিপতে ৰখা পাঁচটকীয়া মুদ্ৰা আগবঢ়াই দিলো।

আজি মনটো কিবা উদাস উদাস লাগি আছে। কৰিবলগীয়া বহুত কামো আছে, কিন্তু মনৰ উচপিচনিত একোৱে কৰিব পৰা নাই। এবাৰ কলমটো হাততলৈ, এবাৰ বেৰত আৰি থোৱা ঘড়ীটোলৈ চাই তেনেদৰে অফিচৰ সময়কন পাৰ কৰাই ঘৰলৈ উভতিলো। বাছৰ পৰা নামি পোনে পোনে ঘৰলৈ খোজ দিলো।

দিনটো কামৰ মাজতে ব্যস্ত থাকিবলগীয়া হয়। তথাপি মনৰ মাজৰ পৰা আঁতৰাই পঠিয়াব নোৱাৰো 'অভিলাস তোমাৰ কথা।' কিয় বাৰু? নিজৰ মনতে প্ৰচণ্ড ধিক্কাৰ জন্মে। প্ৰশ্ন হয়, য'ত ভৱিষ্যত নাই তাক লৈ মই কিয় ইমান হাহাকাৰ কৰিছোঁ।

আবেলি আগফালৰ বাৰান্দাখনতে বহি বাতৰি কাকতখন হাততলৈ এবাৰ ওপৰে ওপৰে চকু ফুৰালো, নাই কাকতখনতো মন বহুৱাব পৰা নাই। ক'তো শান্তি পোৱা নাই আজি। আজি মোৰ কি নাই। নিজে সাধাৰণভাৱে চলি যাব পৰা সৰুকৈ হ'লেও হাতত এটা চৰকাৰী চাকৰি , দৈনন্দিন সুবিধাৰ বাবে সৰু ঘৰখনত যিমানখিনি সুবিধাৰ প্ৰয়োজন সেই সকলো খিনিয়ে এটা এটাকৈ কৰি লোৱা হ'ল। মানুহৰ জানো অভাবৰ শেষ আছে? এটাৰ পিছত এটা সমস্যা আহিয়ে থাকে। আজি ভালদৰেই অনুভৱ কৰিব পাৰিছো পৃথিৱীৰ সকলো ধৰণৰ সুখেই সংগ অবিহনে যে অৰ্থহীন।

গোপনে গোপনে যে মই তোমাক কিমান বিচাৰি ফুৰিছো- অভিলাস তুমি ক'ত আছা এতিয়া? আজি কিমানদিন হ'ল মোৰ পৰা আঁতৰি থকা মনত আছে জানো তোমাৰ? এবাৰো মনত নপৰেনে তোমাৰ মোলৈ? এৰাহ, দুখেহে দুখৰ স্মৃতি যোগায় তোলে।'

দিনবোৰ পাৰ হ'বলৈ ধৰিলে। সঁচাকৈয়ে মনটো গধুৰ লাগিছে। কাৰোবাক মনৰ কথা ক'বলৈ বৰ মন গৈছে, নালাগে, নোকোৱাকৈ থকাটোয়ে ভাল হ'ব। ক'লেও কোনেনো দিব পাৰিব হৈ যোৱা দিনবোৰৰ সেই অৱস্থা, সুখ, আনন্দ। 'অভিলাস তোমাৰ অবিহনে যে আজি মোৰ বুকু উদং।' তোমাৰ কাৰণে মোৰ হৃদয়ৰ দুৱাৰ সদায়ে খোলা। মোৰ

জীৱনৰ সঁচা কথা বিলাক কৈছিলো তোমাক। তুমিও মোক নুবুজিলা।

আজি শনিবাৰ অফিচ আগবেলাতে বন্ধ হয়। অফিচৰ পৰা ওলাইয়ে বাছ ষ্টেনলৈ বুলি ততাতৈয়াকৈ খোজ ললো। পকী ৰাস্তাটোৰে যাব নোৱাৰি। ডাঙৰ ডাঙৰ গাড়ীবোৰতকৈ সৰু-সুৰা মটৰ চাইকেল বোৰহে সৰহকৈ চলা হৈছে। কাষেৰে গলেও গাতে গা লগাই যাও যাওকৈ নগলে হ'বলা ভালেই নালাগে। কম পৰিমাণে হ'লেও মোৰ ভয় লাগে সৰু-সুৰা গাড়ীবোৰলৈ। সেইবাবে মই সদায় ফুটপাথেৰে অহা-যোৱা কৰো। আজিও একেই নিয়মেৰে খোজ কাঢ়ি আহি আছিলো। হঠাত চুলি কটা-নাপিতটোৰ দোকানৰ ভিতৰৰ আয়নাখনত মই ইমান দিনে বিচাৰি ফুৰা অভিলাসৰ ছবি দেখা পালো। অকস্মাতে মই থমকি ৰলোঁ। আৰু দোকানখনৰ সন্মুখতে বৈ চিঞৰি দিলো - 'অ ভি লা স'

চুলি কাটি থকাৰ পৰাই সি মোৰ পিনে চাই পঠিয়ালে। কিবা ক'ব বিচাৰিছিল ছাগে। কিন্তু তাৰ অৱস্থা দেখি মই নিজেই লাহেকৈ আঁতৰি আহিছিলো তাৰ পৰা। কাৰণ বুজিছিলো সি সেই মুহূৰ্তত লাজ পাইছে। ভাল লাগি গৈছিল মনটো। যেন বহুদিনৰ মূৰত ভালদৰে খুলাকৈ উশাহ ল'বলৈ পাইছো। ইমান সময়ে মই আহি আহি বাছষ্টেণ্ড পাইয়ে গলো। ছেঃ কথাটোচোন ভাল নহল । ইমান দিনৰ মূৰত লগ পালো একো এটা কথা সুধাও নহল আনকি কোৱাও নহল, উভতি যোৱাৰো মোৰ মনে সাহস নকৰিলে। ❑❑❑

গল্প

# উচ্ছেদ

-পৰীমা দাস -
প্ৰাক্তন ছাত্ৰী

দীপেনে আজি ৰাতিপুৱাই আহি কৈ গৈছে মোক গল্প এটা লিখিবলৈ। গোৱালপাৰাত হেনো গল্প প্ৰতিযোগিতা পাতিছে। তালৈ পঠাবৰ বাবে। সেয়ে এতিয়া গল্প এটা লিখো বুলি ভালকৈ বহি লৈছো। ৱালঘড়ীটোলৈ চাই দেখিলো নিশা বাৰ বাজো বাজো। ঘৰৰ সকলোৱে এতিয়া টোপনিত লাল-কাল। কিন্তু মই কিবা এটা লিখিম বুলি ভাবিলে সেইটো লিখা নোহোৱালৈকে মোৰ চকুলৈ টোপনি নাহে। ভাবিছো মই আজি ৰাতিয়েই লিখি শেষ কৰিম। কিন্তু গল্পটোৰ কাৰণে কোনো ধৰণৰ এটা ভাল প্লট পোৱা নাই। কিন্তু কিহৰ কাৰণে কোনো ধৰণৰ এটা ভাল প্লট পোৱা নাই। কিহৰ ভিত্তিত, কেনেধৰণৰ লিখিলে ভাল হ'ব তাকে ভাবি থাকোতে ৱালঘড়ীটোৱে বাৰ বজাৰ সংকেত দি কিছুসময়ৰ বাবে মোক মোৰ ভাৱৰ পৰা আঁতৰাই আনিলে। মই ঘড়ীটোলৈ চালো। সময়। সময় গতিশীল। ঘড়ীটো মাত্ৰ সময়ৰ সংকেত দিওঁতা। ঘড়ীটো বন্ধ হলেও বন্ধ নহয় সময়। সময়ৰ বুকুতে ঘটি যায় বহু ঘটনা। সময়ে আমাক শিকায় ভাল পাবলৈ, শিকায় হাঁহিবলৈ - কান্দিবলৈ, সময়ে শিকায় আগুৱাই যাবলৈ, শিকায় হাতত অস্ত্ৰ তুলি লবলৈ। অথচ সময় নিঃশব্দ। আচৰিত লাগে এই নিঃশব্দতায়ে কেনেকৈ আমাক সকলো শিকাব পাৰে। নিঃশব্দ সময়ৰ বুকুত সকলো শিকিও শব্দ অবিহনে আমি আমাৰ হৃদয়ৰ অনুভূতিবোৰ প্ৰকাশ কৰাত ব্যৰ্থ হওঁ কিয়? এইবাৰ মই মোৰ ভাবৰ পৰা আঁতৰি আহিব লগা হ'ল কিবা এটা শব্দত। কিহৰ শব্দ? ভালকৈ কাণপাতি গম পালো দুৱাৰত কোনোবাই টুকুৰিয়াইছে। মোৰ বুকুখন ঢপঢপাবলৈ ধৰিলে। কোন হ'ব পাৰে এই ৰাতিখন? বাটৰ কাষৰ কোঠাটোতে থাকো মই। ঘৰৰ মানুহবোৰো এতিয়া গভীৰ টোপনিত। দুৱাৰখনত অবিৰতভাৱে টুকুৰিয়াই আছে। মোৰ বুকুৰ ঢপঢপনি আগতকৈ বাঢ়ি গ'ল। কি কৰো মই? দুৱাৰত টুকুৰিয়াইয়ে আছে। মই কিছু সাহস গোটাই প্ৰশ্ন কৰিলো - 'কোন?' বাহিৰৰ পৰা উত্তৰ আহিল - 'মই সীমান্ত, তোমাৰ বন্ধু সীমান্ত।" তৎক্ষণাত গৈ দুৱাৰখন খুলি দিলো। সীমান্ত ধুমুহাৰ দৰে ভিতৰলৈ সোমাই আহিল। মই দুৱাৰৰ খিলটো লগাই দি দুৱাৰখনতে আউজি দীঘলকৈ দুটামান উশাহ টানি ললো। মই জানো সীমান্ত ৰাতিৰ আলহী। দিনত কিন্তু তাৰ ছাঁটোও কোনেও নেদেখে।

'খুব ভয় খালা নেকি পৰী?' সীমান্তৰ প্ৰশ্নত মই মাত্ৰ মুৰ দুপিয়ালো। সি আকৌ কলে - 'মই জানো এইখিনি সময়ত তুমি প্ৰায়ে কিবা নহয় কিবা লিখি থাকা। কিন্তু জানিও মই ইয়ালৈ আহি তোমাৰ লিখনিত ব্যাঘাত জন্মালো। তাৰ বাবে তুমি মোক ক্ষমা কৰিবানে?" সীমান্তৰ কথাৰ উত্তৰ নিদি পুনৰ চকীখনত বহী লৈ একেথৰে কিছু সময় চাই ৰলো সীমান্তলৈ। তাৰ চেহেৰা খুব বেয়াহৈ হৈ গৈছে। ডাড়িবোৰ দীঘল হৈছে। চুলি আউল-বাউল। অসংযত পোছাক। তাৰ তেনে অৱস্থা দেখি তাৰ ওপৰত মোৰ যথেষ্ট খং উঠি গ'ল আৰু খণ্ডত তাক সুধি পেলালো "তুমি কিহৰ আশাত জীয়াই আছা সীমান্ত?"

"কোনো আশাত জীয়াই থকা নাই।" সীমান্তৰ স্পষ্ট উত্তৰ।

'তুমি মৰি নোযোৱা কিয়?'

"এতিয়াও মৰাৰ সময় হোৱা নাই। প্ৰতিশোধ লবলৈ বাকী আছে।"

"তোমাৰ মৃত্যু কাহানিবাই হৈছে সীমান্ত, মাত্ৰ তুমি সম্পূৰ্ণকৈ মৰিবলৈ বাকী।"

"মানে?"

"মানে যিদিনাই এজন মানুহৰ মানৱতাৰ মৃত্যু হয় সেই দিনাই সেই মানুহজনৰো মৃত্যু হয়। সেয়ে মই ভাবি লৈছো যে যিদিনাই

তোমাৰ মানৱতাৰ মৃত্যু হৈছে, সেই দিনাই তোমাৰো মৃত্যু হৈছে। মাত্ৰ তোমাৰ দেহটো চাই হ'বলৈ বাকী।"
কথাখিনি শেষ কৰি মই সীমান্তলৈ চালো। সি কিবা ভাবি আছে। মই ঘূৰিলে কলমটো হাতত লোৱাৰ লগে লগেই সি কৈ উঠিল — 'পৰী, মই খুব কষ্ট কৰি এইখিনি আহি পাইছো। চাৰিওফালে সৈনিকৰ চোকা পহৰা। তুমিতো জানাই এতিয়া তেওঁলোকৰ লক্ষ্য মাত্ৰ উপকূল চেতিয়া ওৰফে সীমান্ত বৰুৱা। সেয়ে আহি ৰাতিটো মই ইয়াতে কটাব বিছাৰিছো যদি হে তোমাৰ একো অসুবিধা .....।
"উহ একো অসুবিধা নহয়। তুমি যোৱা। সীমান্তই বিচনাখনত উঠিব খুজি বৈ গ'ল। কি হ'ল সীমান্ত?" মই সুধিলো।
'পৰী মই ইয়াত থাকিলে তুমি খৰীদেউক জগাব লাগিব। কেনেবাকৈ যদি খুৰাদেউও সাৰ পাই যায়? মই জানো খুৰাদেউৱে আমাৰ সংগঠনক কেতিয়াও Support নকৰে। গতিকে মই যোৱাটোৱে ভাল হ'ব পৰী।"
"তুমি পাগল হোৱা নাইতো? এই ৰাতিখন ওলাই গৈ মৰিব খুজিছা নেকি? শুই থাকিবলৈ দিছো শুই থাকা। মোৰ বাবে চিন্তা কৰিব নালাগে।"
"কিন্তু কিয় চিন্তা কৰিব নালাগে?"
'মই ৰাতিৰ ভিতৰতে গল্প এটা লিখি উলিয়াব লাগে। গতিকে আজি ৰাতিটো মই নুশুও।'
'ইমান দৌৰা-দৌৰি কিয়?'
'এখন প্ৰতিযোগিতালৈ পঠাব লাগে অতি সোনকালে।'
'কিমান লিখিলা?'
'এতিয়ালৈকে আৰম্ভই কৰা নাই। ভাল প্লট এটাই বিচাৰি পোৱা নাই।'
'পৰী, তুমি মোৰ জীৱনটোৰ বিষয়ে দেখোন সুন্দৰকৈ লিখিব পাৰা।'
'তোমাৰ জীৱনটোৰ বিষয়ে।'
'অ' পৰী মোৰ জীৱনটোৰ বিষয়ে লিখা মানে বৰ্তমান পৰিস্থিতিৰ বিষয়ে লিখা একেই কথা। আৰু তুমিতো মোৰ সকলো কথাই জানা।'
'সঁচাই সীমান্ত, তুমি মোক খুব ভাল প্লট এটা দিলা। মইযে তোমাক কেনেকৈ ধন্যবাদ দিওঁ। বাৰু সীমান্ত তুমি এতিয়া শোৱা।'

সীমান্তই শুলে। মই সীমান্তৰ জীৱনৰ প্ৰতিটো কথা, তাৰ জীৱনত ঘটি যোৱা প্ৰতিটো ঘটনা মোৰ মনৰ মাজত এবাৰ জুকিয়াই চাবলৈ ধৰিলোঁ। তেতিয়া মই স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। আগষ্ট মাহ। নতুনকৈ ক্লাচ আৰম্ভ হৈছে। কলেজলৈ গৈ এজনী বান্ধৱীক নেদেখি মই আমাৰ লগতে পঢ়া পংকজক সুধিছিলোঁ।
'পংকজ স্বপ্না, গীতিহঁতক দেখিছা নেকি?' সি কৈছিল - অ' স্বপ্না, গীতি, ভৰষা, সংগীতা, মৃদুস্মিতা, সুপ্ৰিয়া, বিউটি আটাইকেইজনীয়ে ৰুম নং ৩৩ত সোমাই আছে।" মই সিহঁত থকা ৰুমটোলৈ গৈ দেখিছিলো সিহঁতে ল'ৰা এজনক মাজত লৈ উল্টা-পুল্টা প্ৰশ্ন কৰি খুব হাঁহি খিকিন্দালি কৰি আছে। সেইদিনা সিহঁতৰ ওপৰত মোৰ খুউব খং উঠিছিল। ইমানবোৰ ছোৱালীৰ মাজত ল'ৰাজন যেন খুউব অতিষ্ঠ হৈ পৰিছিল। মই সিহঁতক কিবা এটা কম বুলি ভবাৰ লগে লগে গীতিয়ে কৈ উঠিল -
'ঔ পৰী টি.ডি.চি. ফাৰ্ষ্ট ইয়েৰত নতুনকৈ এডমিচন লৈছে। নাম হেনো সীমান্ত। আমাৰ বেচ জমি আছে। তইও কিবা সোধ না।'
'তহঁতৰ লাজ লাগিব লাগিছিল একেলগে পঢ়া ল'ৰা এজনক এনে কৈ —
'তইতো এইবোৰ কামত সদায়ে বাধা দিয়। আচলতে জমনি-চমনি এইবোৰ তই একো নুবুজ।' ভৰষাৰ কথা শুনি মোৰ আৰু বেছি খং উঠিছিল। মই কৈছিলো - 'অ এইবোৰ মই একো নুবুজো আৰু বুজিবলৈ চেষ্টাও নকৰো।' তাৰ পিছত ল'ৰাজনলৈ চাই কৈছিলোঁ - 'তুমি ইয়াৰ পৰা যোৱা।' ল'ৰাজন গুচি গৈছিল। কোনো এজনীয়ে মোক একো কোৱা নাছিল যদিও সিহঁতৰ যে মোৰ ওপৰত অলপ হ'লেও খং উঠিছিল সেয়া মই জানিছিলোঁ।

তাৰ পিছৰ পৰা ল'ৰাজনক কলেজত সদায়ে দেখা পাইছিলো। তাৰ কোনো বন্ধু-বান্ধৱী নাছিল। সি ক্লাছৰ সময়ত ক্লাছ কৰিছিল আৰু ক্লাছ নাথাকিলে পুথি-ভঁৰালত কিতাপ পঢ়ি থাকোতে মই তাৰ ওচৰলৈ গৈ মোৰ সোঁহাতখন আগবঢ়াই দি কৈছিলো 'সীমান্ত মই তোমাৰ লগত বন্ধুত্ব কৰিব বিচাৰো।' সিও এটা হাঁহিৰে তাৰ সোঁহাতখন আগবঢ়াই দিছিল মোলৈ আৰু সেইদিনাৰ পৰাই সীমান্ত হৈ পৰিছিল মোৰ অন্তৰংগ

বন্ধু আৰু মই হৈ পৰিছিলো তাৰ অন্তৰংগ বান্ধৱী। সীমান্তই তাৰ ঘৰৰ, তাৰ মনৰ প্ৰতিটো কথাই মোক কৈছিল আৰু মইও কৈছিলো সীমান্তক মোৰ সকলো কথা। কলেজ ছুটীৰ পিছত আমি দুয়ো সদায় একেলগে খোজ দিছিলো ঘৰলৈ। এনেকৈ এদিন ঘৰলৈ আহি থাকোতে সীমান্তই কৈছিল - 'পৰী মই খুব কষ্টৰ মাজেৰে আহি আজিৰ এই অৱস্থা পাইছো। আমাৰ পৰিয়ালত পাঁচজন সদস্য আছিল- মা, দেউতা, বাউদেউ, ভন্টি আৰু মই। দেউতা মিস্ত্ৰী আছিল। কাম কৰি যিখিনি টকা পাইছিল তাৰে আমাক পঢ়ুৱাইছিল আৰু অতি কষ্টেৰে দুবেলা-দুমুঠি খুৱাইছিল। আমি তিমিও একেখন স্কুলতে পঢ়িছিলোঁ। এদিন আমাৰ গাঁওৰ বলেন খুৰাই স্কুললৈ গৈ স্কুল ছুটী নৌহওঁতেই হেডচাৰক কৈ আমাক তিনিওকে স্কুলৰ পৰা লৈ আহিছিল। খুৰাক সুধিছিলো আমাক লৈ অহাৰ কাৰণ। খুৰাই কৈছিল - 'ঘৰত গলে সকলো গম পাবি।' ঘৰ পাই দেখিছিলো আমাৰ চোতাল মানুহৰে ভৰি পৰিছে। মায়ে আউলি-বাউলি হৈ কান্দি আছে। আৰু চোতালৰ মাজত বগা কাপোৰেৰে ঢাকি দেউতাক শুৱাই থোৱা আছে। মই থৰ লাগিছিলো। বাইদেউ কান্দোনত ভাগি পৰিছিল। কোনোবাই কৈছিল কাম কৰি থাকোতে হেনো বিল্ডিঙৰ ওপৰৰ পৰা পৰি দেউতাৰ মৃত্যু হৈছে। কিছু সময় পিছত দেউতাক শ্মশানলৈ নিয়া হৈছিল। লগত মোকো। হাতত অগ্নি লৈ চিতাৰ চাৰিওফালে ঘুৰি ঘুৰি ভাবিছিলো ভৱিষ্যতৰ কথা। অন্ধকাৰৰ বাদে একো দেখা নাছিলো। বুকু কঁপি উঠিছিল। সময় আৰু অভাৱে মোক বহু কথাই শিকাইছিল পৰী। তেতিয়া মই সপ্তম মানৰ ছাত্ৰ। পঢ়া-শুনা কৰি মই ডাঙৰ মানুহ হোৱাৰ সপোন দেখিছিলোঁ। সদায় সন্ধিয়া ভাগৰে জুগৰে দেউতাই ঘৰলৈ আহি জিৰণি লৈছিল। আমি চাকিগছি জ্বলাই লৈ পঢ়িবলৈ বহিছিলো। দেইতাই মাজে মাজে মোক কৈছিল - 'ভালকৈ পঢ়, তই যাতে ডাঙৰ হৈ মোৰ দৰে মিস্ত্ৰী হ'ব লগা নহয়। তই মোৰ বাবে গৌৰৱ কঢ়িয়াই আনিব লাগিব। দেউতাৰ কথা ৰাখিবলৈ মই আপ্ৰাণ চেষ্টা কৰিছিলো। কিন্তু সেই দহ দিন হবিচ খাই খাই ভাবিছিলো - মই হয়তো দেউতাৰ কথা ৰাখিব নোৱাৰিম। অভাৱৰ বাবে হয়তো মই পঢ়া বাদ দিব লাগিব। কথাবোৰ ভাবি মই বৰ ভয় খাইছিলো, পৰী। কিন্তু মা আৰু বাইদেউৱে সেয়া হ'বলৈ নিদিলে। বাইদেউয়ে নিজৰ পঢ়া বাদ দিলে। মা আৰু বাইদেউয়ে লগ লাগি চেষ্টা কৰিলে মোক ডাঙৰ মানুহ কৰিবলৈ মোৰ বাবে মা আৰু বাইদেউয়ে খুউব কষ্ট কৰে, পৰী। মায়ে ৰাতিপুৱাই ওলাই যায় এঘৰৰ মানুহৰ ঘৰত কাম কৰিবলৈ। বাইদেউয়ে আনৰ কাপোৰ বোৱে। এতিয়া ময়ো দুই এটা টিউচন কৰো। শেষলৈ সীমান্তৰ কথা থোকাথুকি হৈ পৰিছিল। দুগালেৰে বৈ আহিছিল দুধাৰি চকুলো। মই তাক সান্ত্বনা দিছিলো। লাহে লাহে সীমান্ত আমাৰ ঘৰখনৰ লগতো নিবিড় হৈ পৰিছিল। দিন বাগৰিল। সীমান্ত আৰু মোৰ বন্ধুত্ব আগতকৈও সবল, সজীৱ, আৰু গভীৰ হৈ পৰিছিল। কিন্তু কলেজৰ কোনো ছাত্ৰ-ছাত্ৰীয়েই আমাৰ বন্ধুত্বক সহজভাৱে লব পৰা নাছিল। বহুতেই বহু কথা কৈছিল। কিন্তু কাৰো কোনো কথাতে আমি আমাৰ স্থানৰ পৰা পিচলি পৰা নাছিলো। সেই বছৰ আমি বি. এ. ফাইনেল দিম। পৰীক্ষালৈ দুমাহমান বাকী আছিল। হঠাতে এদিন সীমান্তই মোক কৈছিল সি হেনো এজনী ছোৱালীৰ প্ৰেমত পৰিছে। সি দূৰৰ পৰাই মোক ছোৱালীজনীক দেখুৱাইও দিছিল। মই চিনি পাইছিলো ছোৱালীজনীক। তাই আমাৰ কলেজৰে স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী বিজুমিতা ডেকা। আমাৰ লগত পঢ়া পংকজৰ ভনীয়েক তাই। সি মোক আৰু কৈছিল -

'পৰী, মই মোৰ মনৰ কথা বিজুৰ আগত কেতিয়াও প্ৰকাশ নকৰো। মই জানো তাই মোক ভাল নাপাব।। তাই ধনী ঘৰৰ ছোৱালী। কিন্তু ধন বুলিবলৈ মোৰ এখন হৃদয় আৰু হৃদয়ত থকা মৰমৰ বাহিৰেতো আন একোৱেই নাই।'

'সীমান্ত, তুমি যদি তেনেকৈ ভাবিয়েই লৈছা তেনেহ'লে তাইক তুমি পাহৰি যোৱা।

'কিন্তু সেয়া সম্ভৱ নহয় পৰী।'

'সম্ভৱ নহয় যদি তুমি তোমাৰ মনৰ কথা প্ৰকাশ কৰা।'

'কিন্তু তাই যে মোক ভাল নাপাব।'

'তুমি যদি জানাই তাই তোমাক ভাল নাপায়, তেনেহ'লে তুমি তাইক ভাল পাই থাকি লাভ কি? চোৱা সীমান্ত, তাই তোমাক ভাল পাবও পাৰে। কাৰণ প্ৰেমে ধনী-দুখীয়া, উচ্চ-নীচ এইবোৰ একো নেমানে। আৰু কোনেও সেইবোৰ বিচাৰ কৰি কাৰো প্ৰেমত নপৰে। পৰা হ'লে তুমিও নিশ্চয় বিজুমিতাৰ প্ৰেমত নপৰি তোমাৰ লগত মিলা কোনো দুখীয়া ছোৱালীৰ প্ৰেমত পৰিলাহেঁতেন। শুনা সীমান্ত, তুমি যদি কেতিয়াও তাইৰ আগত

তোমাৰ প্ৰেমৰ কথা প্ৰকাশ নকৰা আৰু তোমাৰ চকুৰ আগতে তাই আনৰ হৈ যায় তেতিয়া তোমাৰ মনত এটা খেদ চিৰদিনলৈ ৰৈ যাব।

মোৰ কথাবোৰৰ কোনো উত্তৰ নিদি সীমান্তই এখন চিঠি লিখি মোৰ হাতত দিছিল বিজুমিতাক দিবলৈ। চিঠিখন মই বিজুমিতাৰ এজনী বান্ধবীৰ হাতত বিজুমিতাক দিবলৈ দি পঠাইছিলো। চিঠিখন পোৱাৰ পিছদিনাই বিজুমিতাই আমাৰ ওচৰলৈ আহিছিল। তেতিয়া সীমান্ত আৰু মই গছ এজোপাৰ তলত থিয় হৈ আছিলো। বিজুয়ে আহিয়েই সীমান্তই তাইলৈ দিয়া চিঠিখন হাতত লৈ সীমান্তক কৈছিল -

'এই চিঠিখন দিয়াৰ আগতে আপুনি এবাৰ ভাবি চোৱা উচিত আছিল যে আপুনি মোৰ উপযুক্ত হয় নে নহয়? এই বিজুমিতা ডেকাক পাবলৈ হ'লে আৰু বহুত কিবা-কিবি কৰিব লাগিব। যিবোৰ কৰাৰ ক্ষমতা আপোনাৰ নাই আৰু কাহানিও নহ'ব। আপুনি ....

বিজুয়ে আৰু কিবা কব খুজিছিল যদিও মই তাৰ সুযোগ নিদি কৈ উঠিছিলো।

'চুপ কৰা বিজু, তুমি অলপ বেছি কথা কৈছা।'

'মই বেছি কথাহে কৈছো আপুনি যে বেছি কৰিছে। নিজৰ প্ৰেমিকক আন ছোৱালীলৈ প্ৰেম পত্ৰ লিখিবলৈ কৈ ..

'Set up' আৰু যদি তোমাৰ মুখৰ পৰা এটা শব্দও ওলায় তেন্তে তোমাক ....

মোৰ কথা শেষ নৌহওঁতে চিঠিখন দলিয়াই দি তাই আঁতৰি যাব খুজিছিল। মই পুনৰ কৈছিলো - 'শুনি যোৱা বিজু।' তাই ৰৈছিল - তাইৰ কাষলৈ গৈ কৈছিলো - 'তোমাৰ দৰে এচাম ছোৱালীৰ বাবে ল'ৰাবোৰে ছোৱালীক বিশ্বাস কৰিবলৈ টান পায়। সীমান্তই বাৰু ভাবি চোৱা নাছিল সি তোমাৰ যোগ্যৰ হয় নে নহয়। কিন্তু তুমি এইটো ভাবি চোৱা উচিত আছিল যে - কোনোবাই ভালপোৱাৰ কথা সুধিলে তাৰ উত্তৰ কেনেদৰে দিব লাগে, ভাল নেপালে নাপাওঁ বুলি কলেও হয়। তাৰ বাবে ইমান দীঘলীয়া বক্তৃতা দিয়াৰ প্ৰয়োজন নাই। এজন ল'ৰাই জোৰ-জোবৰদস্তিও এজনী ছোৱালীৰ ভালপোৱা আদায় কৰিব পাৰে। কিন্তু সীমান্ত কাপুৰুষ নহয় যে সি তোমাক তেনে কৰিব। আজিৰ পৰা কথাবোৰ অলপ ভাবি চাবা। কিয়নো সকলো ল'ৰাই সীমান্ত নহয়।' মোৰ ওপৰত বিজুৰ যথেষ্ট খং উঠিছিল। তাই যেন মোক কেঁচাই কেঁচাই খাই পেলাব। খঙতে তাইৰ ওঠ জুৰি কঁপিছিল। খঙাল দৃষ্টিৰে কিছুসময় মোলৈ চাই থাকি উচাট মাৰি আঁতৰি গৈছিল। তাই যোৱাৰ পিছত মই ভাবিছিলো - কিয় বাৰু সীমান্ত আৰু মোক কোনেও সহজ ভাৱে ল'ব নোৱাৰে। তেজৰ সম্পৰ্ক নথকা এহাল ডেকা-গাভৰুৰ মাজত প্ৰেমিক-প্ৰেমিকাৰ বাদে অন্য সম্পৰ্ক গঢ়ি উঠিব নোৱাৰে নেকি? পাৰে, কিন্তু মানুহে বিশ্বাস কৰিব নোৱাৰে। নকৰক, তাত সীমান্ত আৰু মোৰ ক'বলগীয়া একো নাই। আমি দুয়ো জানো আমাৰ সম্পৰ্কৰ পৱিত্ৰতা কিমান। ঠিক তেনেতে কাউৰী এটাই কা-কা কৈ গছ জোপাৰ পৰা উৰা মাৰি গৈছিল। কাউৰীৰ মাতত মই মোৰ ভাবৰ পৰা আঁতৰি আহি সীমান্তলৈ চাই দেখিছিলো তাৰ দুচকুৰে দুধাৰী লোতক বৈ আহিছিল। মই মনে-মনে কামনা কৰিছিলো সীমান্তই আৰু কান্দোক। তাৰ চকুলোৰ সোঁতে চিৰদিনৰ বাবে উটাই লৈ যাওঁক বিজুমিতালৈ থকা তাৰ সকলো ভালপোৱা।

সেইদিনা সীমান্তৰ হাত এখনত ধৰি কৈছিলোঁ - 'তুমি আগতকৈও ভালকৈ পঢ়িব লাগিব। বিজুক দেখুৱাই তুমি খুউৰ ভাল ৰিজাল্ট কৰিব লাগিব সীমান্ত।'

সীমান্তই পঢ়িছিল। তাৰ ৰিজাল্টও খুউৰ ভাল হৈছিল। পাছ কৰি সীমান্তই এম. এ.ত এডমিচন লোৱা নাছিল। সি চাকৰিৰ সন্ধানত ঘূৰিছিল। কিন্তু আজি-কালি চাকৰি পোৱাটো জানো সহজ কথা? এতিয়া মাথো টকাৰ প্ৰয়োজন চাকৰি পাবলৈকো আৰু আন কাম কৰিবলৈকো। কিন্তু সীমান্তৰ ইমান টকা নাছিল। আমিও সীমান্তক সহায় কৰিব পৰা নাছিলো। কিয়নো আমাৰ দেউতাও আছিল এজন অৱসৰ প্ৰাপ্ত শিক্ষক। ইমান দুখীয়া ঘৰৰ আৰু আনৰ কাম-বন কৰি ফুৰা বাবে বিয়াৰ উপযুক্ত বয়স হোৱা সত্বেও সীমান্তৰ বায়েক আৰু ভনীয়েকক কোনেও বিয়া কৰাবলৈ আগবাঢ়ি অহা নাছিল। বয়স বাঢ়ি যোৱাৰ বাবে মাকৰো প্ৰায়ে অসুখ হৈছিল। এই সকলোবোৰ চিন্তাত সীমান্ত বলিয়াৰ দৰে হৈ পৰিছিল। আৰু এদিন হঠাৎ ঘৰৰ পৰা নিৰুদ্দেশ হৈছিল সীমান্ত। তিনি মাহ পিছত এজন সম্পূৰ্ণ বেলেগ মানুহ হৈ সীমান্ত আহি ওলাইছিল ঘৰলৈ। আৰু মাকৰ হাতত তুলি দিছিল এটা এশ টকাৰ বান্দিল। ইমানবোৰ টকা দেখি মাকে আচৰিত হৈ সীমান্তক প্ৰশ্ন কৰিছিল - ইমানবোৰ টকা তই ক'ত পালি?' সীমান্ত নিমাত হৈ গৈছিল।

তাৰ ওচৰত উত্তৰ আছিল, নাছিল উত্তৰ দিয়া ক্ষমতা। মাকে টকাখিনি তাৰ মুখলৈ মাৰি দি তাক চিৰদিনৰ বাবে ঘৰৰ পৰা উলিয়াই দিছিল। সীমান্ত গুচি গৈছিল। তাৰ চিন্তাত মাকৰ অসুখ বেছি হৈছিল। ক্ৰমান্বয়ে অসুখ বাঢ়ি গৈছিল আৰু এদিন মাক গুচি গৈছিল সীমান্তৰ দেউতাকৰ ওচৰলৈ চিৰদিনৰ বাবে। মাক মৰাৰ দিনা ৰাতি গাওঁৰ মানুহ কেইজনমানে সীমান্তৰ বায়েক আৰু ভনীয়েকক ৰখি আছিল চোতালত জুই একুৰা ধৰি লৈ। তেনেতে সীমান্তহঁতৰ ঘৰলৈ সোমাই আহিছিল এদল সৈনিক। সিহঁতে সীমান্তক বিচাৰিছিল। সীমান্ত নাই বুলি কোৱা সত্বেও সিহঁতে বিশ্বাস কৰা নাছিল। সিহঁতে কৈছিল মাকৰ মৃত্যুত কোনো সন্তানে ঘৰলৈ নহাকৈ নাথাকে। সিহঁতে গাঁওৰ মানুহ কেইজনৰ ওপৰত খুউব অত্যাচাৰ কৰিছিল। আৰু শেষত সীমান্তৰ বায়েক আৰু ভনীয়েকক ধৰ্ষণ কৰি সিহঁতে সিহঁতৰ কামনাৰ উত্তাপ কমাই আত ৰি গৈছিল। সেই ৰাতিয়েই দুয়ো বাই-ভনীয়ে ডিঙিত চিপজৰী লগাই আত্মহত্যা কৰিছিল।

এই সকলোবোৰ খবৰ হয়তো পাইছিল সীমান্তই। সি হয়তো আগতকৈও বেছি বিদ্ৰোহী হৈ পৰিছিল। এদিন বাতৰি কাকতত সীমান্ত ফটো দেখি মই আচৰিত হৈছিলো। তাত লিখিছিল - 'উপকুল চেতিয়া ওৰফে সীমান্ত বৰুৱা নামৰ সংগঠনৰ এই যুৱক জনে দুজন সৈনিকক গুলিয়াই হত্যা কৰিছে।" লিখা খিনি পঢ়ি মই আৰু বেছি আচৰিত হৈছিলো। যিজন ল'ৰাই মানুহক এষাৰ টান কথা ক'ব পৰা নাছিল সেইজন ল'ৰাই আজি মানুহ হত্যা কৰিব পৰা হৈছে। সীমান্তই কৰা হত্যাৰ বাবে তাক দেখা মাত্ৰকে গুলিয়াই দিয়াৰ নিৰ্দেশ দিয়া হৈছে। সেইদিনা কান্দি দিছিলো মই। তাৰ পিছত আজি এয়া সীমান্ত মোৰ বিচনাত শুই আছে এটি নিষ্পাপ শিশুৰ দৰে। মোৰ এটি হুমুনিয়াহ ওলাই আহিল। হায় সময়!

'পৰী এই পৰী, পৰী।' সীমান্তৰ মাতত মই খকমকাই সাৰ পাই গলো।' 'মোৰ বাবে তুমি আজি টেবুলত মুৰ থৈ শুব লগা হ'ল। খুউব কষ্ট পাইছা নহয় নে?'

'অ' তাৰ মানে কথাবোৰ ভাবোতে গ'ল, লিখা একো নহ'ল।'

'উহ নহল'।'

'বাৰু পৰী, মই এতিয়া যাও। তুমি লিখি যাবা সদায়ে। তোমাৰ লেখনিৰ মাজেৰে মোকো জীয়াই ৰাখিবলৈ চেষ্টা কৰিবা।

'মোৰ শুভ কামনা তোমালৈ সদায়ে আছে, থাকিব, তেজৰ গতি অব্যাহত থকালৈকে।'

'এতিয়াও ভালকৈ পোহৰ হোৱাই নাই সীমান্ত। তুমি আৰু কিছু সময় থাকা।'

'নাই নাই পৰী, ভালকৈ পোহৰ হোৱা মানেই মোৰেই বিপদ। মই যাও।' সীমান্তই দুৱাৰৰ খিলটো খুলিব খোজাৰ লগে লগে মই কৈ উঠিলো - 'সীমান্ত তোমাক এটা কথা কও নে?

'কোৱা।'

বেয়া নোপোৱাতো?'

'পৰী চিৰদিন মই তোমাৰ পৰা প্ৰেৰণা পাই আহিছো। তোমাৰ কাৰণে মই উপলব্ধি কৰিব পাৰিছো বন্ধুত্বৰ প্ৰকৃত অৰ্থ। তুমি মোক কোনো দিনে এনে এষাৰ কথা কোৱা নাই যিষাৰ কথাই মোক আঘাত দিব পাৰে। কিন্তু আজি তুমি মোক এনে কি কথা কব বিচাৰিছা যাৰ বাবে মই তোমাক বেয়া পাব পাৰো?'

'নহয় সীমান্ত, কিছুমান এনেকুৱা কথা থাকে যিবোৰ কথা শুনি শুনোতা জনে হয় খুউব ভাল পায় নহয় খুউব বেয়া পায়। কিন্তু কথাষাৰ শুনি তেওঁ ভাল পাব নে বেয়া পাব সেইটো অনুমান কৰিব নোৱাৰিলে প্ৰথমে এই প্ৰশ্নটোকে কৰা যায়।

'বাৰু পৰী, কি ক'ব খুজিছা কোৱা। মই তোমাৰ কোনো কথাতে বেয়া নেপাওঁ।

'তুমি আত্ম সমৰ্পন নকৰা কিয় সীমান্ত?'

'কৰিলোহেঁতেন, পৰী। যদি আত্মসমৰ্পন কৰিলে মই মোৰ মা, ভন্টি আৰু বাইদেউক ঘুৰাই পালোহেঁতেন। যেতিয়া এই সীমান্তই অভাবৰ তাড়নাত চাকৰি বিচাৰি ফুৰিছিল, যেতিয়া তাৰ বিবাহ উপযুক্তা বায়েক আৰু ভনীয়েকক বিয়া দিব পৰা নাছিল, যেতিয়া তাৰ মাকৰ অসুখত দৰৱ আনি দিয়াৰ ক্ষমতা নাছিল তেতিয়া তাক কোনেও নাজানিছিল। কিন্তু এতিয়া? এতিয়া প্ৰতিখন ঠাইৰ প্ৰতিটো চুকে-কোণে বিচাৰি ফুৰিছে এই সীমান্তক। মই চাৰেণ্ডাৰ নকৰো, পৰী। কেতিয়াও নকৰো।'

কথাখিনি কৈয়ে সীমান্ত ওলাই গ'ল। মই দুৱাৰখন জপাই বিচনাত উঠিলো। ভাবিলো সীমান্তৰ লগত আজিয়ে হয়তো মোৰ শেষ দেখা। মই হয়তো আৰু সীমান্তক দেখা নাপাবও পাৰো। তাৰ জীৱনৰ যে কোনো ভৰষা নাই। সীমান্তই সকলোকে হেৰুৱালে। এদিন হয়তো কোনো সৈনিকৰ গুলিত সি নিজেও হেৰাই থাকিব। আৰু সেই দিনা মই হেৰুৱাম মোৰ জীৱনৰ শ্ৰেষ্ঠ বন্ধু জনক......। ☐☐☐

# জবা ফুলৰ পাত খিলা (গল্প)

- বিনীতা কলিতা -
*স্নাতক প্ৰথম ষান্মাষিক*

জবা ফুলৰ পাতখিলা শুকাই আহিছে। মুগা বৰণীয়া শুকান পাতখিলাৰ সিৰা-উপসিৰাবোৰ প্ৰকট হৈ উঠিছে পাতৰ শৰীৰত। অনুৰাধাই সোঁহাতৰ আঙুলিৰে সাৱধানেৰে আলফুলে কিতাপখনৰ মাজৰ পৰা পাত খিলা তুলি আনিলে। বাঁও হাতৰ তলুৱাত পাতখিলা লৈ তাই গভীৰ মনোযোগেৰে চাই ৰল পাতখিলাৰ গঠন, আকৃতি, বৰণ ......। আস্ ! পাত খিলাৰ শৰীৰত কেনেদৰে ইমান স্পষ্ট হৈ উঠিল চুলিৰ দৰে ক্ষুদ্ৰ ক্ষুদ্ৰ ৰেখাবোৰ, সিৰা-উপসিৰাবোৰ!

কেতিয়া হেৰুৱালে পাতখিলাই সতেজ সেউজীয়া বৰণ। কেতিয়া হেৰুৱালে সেউজীয়াৰ মাজত পৰিব্যাপ্ত হৈ থকা নিজস্ব স্বকীয় সৌন্দৰ্য? সেউৰ্জীয়া মানেনো কি? পাতখিলাৰ যৌৱন নে জীৱন? 'শুকান পাতখিলা' এতিয়া পাতখিলাৰ 'মৃত শৰীৰ' নেকি? কিন্তু মৃত শৰীৰত এনেকৈ জিলিকি থাকেনে শৰীৰৰ ক্ষুদ্ৰ ক্ষুদ্ৰ অস্তিত্ব। ক্ষুদ্ৰ জ্যামিতিক ৰেখা? তন্ন তন্নকৈ চাব খুজিলে তাই পাতখিলাক। জুমি চাব খুজিলে অভ্যন্তৰ ...। পাতখিলাৰ অন্তৰ্ভাগৰ কোন গভীৰত লুকাই আছে তাইৰ মুখ, তাইৰ চকু, তাইৰ শৰীৰ। আস্! তাই জুমি চালে - 'ক'ত লুকাই আছে মোৰ মুখ - আত্মপ্ৰতিকৃতি - ক'ত লুকাই আছে মোৰ আত্মা...' তাই আৰ্তনাদ কৰি উঠিল আৰু নিজৰ চিঞৰত নিজেই উচপ্ খাই উঠিল।

সৰি পৰিছে পাতখিলা। কেতিয়াবা আমাৰো এনেকুৱা হয়। কেতিয়াবা নিজকে বিচাৰি চোৱাৰ প্ৰগলভ স্পৃহা হয়। ইচ্ছা হয় আত্মানুসন্ধানৰ। ভীষণ কষ্টকৰ এই ইচ্ছা। ভীষণ যন্ত্ৰণাদায়ক এই বাসনা। পাতখিলা কিতাপখনৰ মাজত পুনৰ আলফুলে সামৰি থলে তাই।

অৰুণাভ সেই ওখ-পাখ ছটফটীয়া ল'ৰাটো। অনুৰাধাৰ নিজৰে আচৰিত লাগে - কেতিয়াবা একোটা সৰু ঘটনাই, দুৰ্ঘটনাই মানুহৰ জীৱন এটা ওলট-পালট কৰি দিব পাৰে। হয় .... হয় তাইৰ জলজল-পট্পট্কৈ মনত আছে সেই দিনতো। তাই কলেজৰ পৰা হোষ্টেললৈ ঘূৰি অহাৰ সময়ত তাইৰ পইচাৰ বেগটো ৰাস্তাত পৰি গৈছিল, তাই গমকে নাপালে। আৰু পিছদিনা এটা অচিনাকি ল'ৰা আহি তাইক বেগখন ঘূৰাই দিলে। ঘটনাটোৱে অনুৰাধা নামৰ শান্ত, অল্পভাষী ছোৱালীজনীলৈ কিবা এটা পৰিৱৰ্তন আনি দিছিল। কেইবাদিনৰ পাছত সেই ল'ৰাটো হোষ্টেললৈ আকৌ আহিছিল। ভিজিটৰ্ছ ৰুমত ল'ৰাটো বহি আছিল। তাইৰ আজিও মনত আছে সেইদিনটোৰ কথা। মেকানিকেল ইঞ্জিনীয়াৰিঙৰ ছাত্ৰ অৰুণাভ ভূএগ্ৰা নামৰ সেই বাঙালী ল'ৰাটোৰ নম্ৰতা, অমায়িকতাই অনুৰাধা নামৰ ইকনমিক্সত বি. এ. পঢ়ি থকা ছোৱালীজনীক মুগ্ধ কৰি পেলাইছিল। এই মুগ্ধতা নে মোহচ্ছন্নতাই তাইৰ বুকুৰ ভিতৰত যেন অন্য এক ক্ষত আৰম্ভ কৰিছিল। তাই আজিও আচৰিত হয় - অৰুণাভৰ এনে কি বিশেষ গুণ আছিল যে তাইৰ নিচিনা সাংঘাতিক অন্তৰ্মুখী, স্বল্পভাষী, নিৰ্জু ছোৱালীজনীও অৰুণাভৰ ওচৰত পাহাৰীয়া নিজৰাৰ দৰে চঞ্চল হৈ উঠিছিল। নাই নাই, তাই কেতিয়াও সেই হৃদয়ৰ চঞ্চলতাক তথাকথিত প্ৰেমৰ শাৰীলৈ তুলি নিব নোৱাৰে। স্পষ্টবাদী, হুলস্থুলীয়া সেই ল'ৰাটো আচৰিত ধৰণৰ Talent আছিল। ভাল লাগিছিল অনুৰাধাৰ। বাঙালী ল'ৰাটোৰ বুদ্ধি মত্তাই তাইক গভীৰভাৱে আকৰ্ষণ কৰিছিল। শিশু সুলভ সাৰল্যৰ এক উজ্জ্বল আলোপ্ৰভাই তুলি ধৰিছিল তাৰ ব্যক্তিত্বক। এক অনিৰ্বচনীয় আনন্দৰ ঢৌৱেই উটুৱাই নিছিল তাইৰ হৃদয়।

বি. এ. ফাইনেল পৰীক্ষা দি ঘৰলৈ ঘূৰি আহিবৰ দিনা বাছষ্টেণ্ডত তাইক আগবঢ়াই থবলৈ অৰুণাভ আহিছিল।

কিবা এক বুজাব নোৱাৰা শূণ্যতা নে বিষন্নতাই গধুৰ কৰি তুলিছিল তাইৰ বুকুখন। বাছত উঠাৰ আগতে হঠাৎ অৰুণাভে কৈ উঠিছিল—

'তুমি আমার জন্যে অপেক্ষা করতে পারবে।'

যেন হুৰ হুৰকৈ বৰষুণ আহিছিল। বতাহত কঁপি উঠিছিল গছৰ পাতবোৰ। তাইৰ বুকুৰ নিৰ্জনতা ভাহি আকাশলৈ উৰি গৈছিল এজনী চৰাই....। স্তব্ধ, বাকৰুদ্ধ হৈ তাই বৈ আছিল অৰুণাভৰ সন্মুখত। সেয়াই আছিল অৰুণাভৰ সতে তাইৰ শেষ দেখা। তাৰ পিছত? তাৰ পিছত দিন গৈছিল, মাহ গৈছিল, পাৰ হৈ গৈছিল বছৰ। নাই অৰুণাভৰ কোনো চিঠি, কোনো ফোন কল অহা নাছিল।

যন্ত্ৰনা! কিবা এক যন্ত্ৰনাই পিষ্ট কৰি আনিছিল অনুৰাধাৰ হৃদয়। প্ৰখৰ ৰ'দত শুকাই যোৱা ফুল এপাহৰ দৰে তাইৰ বুকুৰ আশা আকাংক্ষাবোৰ লাহে লাহে জহি-খহি গৈছিল। অৰুণাভ নোহোৱা হোৱাৰ তিনি বছৰ মান পিছত হঠাৎ এদিন তাৰ নিকট বন্ধু এজনে ক'লে যে সি হেনো এটা নিষিদ্ধ সংগঠনত যোগ দিছে।

স্তব্ধ হৈ গৈছিল অনুৰাধা। বিশ্বাস অবিশ্বাৰ দোদুল্যমান অৱস্থাই তাইৰ হৃদয়ে মানি ল'ব খোজা নাছিল সেই গভীৰ সত্যক।

দুখ। কেতিয়াবা সীমাহীন দুখে মানুহৰ অশ্রু শুহি নিয়ে। ৰুক্ষ-শুষ্ক এজোপা গছৰ দৰে কৰি তোলে মানুহক। যি জোপা গছৰ নাথাকে পাত। তথাপি মৰি মৰি জীয়াই থাকে মানুহ।

আস্। বুকুৰ পৰা ডিঙিলৈ উজাই আহিছে এটা বিষ; নিঃশব্দ এটা উচুপনি...। মানুহৰ অন্তৰ্জগতত লুকাই থকা কিছুমান হৃদয়জনিত কথাৰ কোনো উত্তৰ নাথাকে।

তাই কিতাপখনৰ মাজৰ পৰা পুনৰ জবা ফুলৰ পাতখিলা হাতত তুলি ল'ব খোজতে পৰি গৈছিল পাত খিলা।

তাই স্তব্ধ, মুগ্ধ হৈ চাই ৰ'ল পাতখিলা। ক্ৰমান্বয়ে তাইৰ দুচকু সজল হৈ আহিল। তাইৰ সজল দুচকুৰ মাজত কঁপি উঠিল শুকান পাতখিলাৰ প্ৰতিবিম্ব। ❑❑❑

# হেঁপাহৰ ঘৰ

গল্প

- চনীকা ৰাভা -
স্নাতক তৃতীয় ষাণ্মাষিক

ৰাতি বিচনাত পৰি পুৰবীয়ে কিবা কিবি কথাবোৰ ভাবি আছে। তাইৰ চিন্তা-ভাৱনাত দুচকুত টোপনি নাই। পুৰবী দুখীয়া ঘৰৰ ছোৱালী। সিহঁতৰ ঘৰখনৰ আৰ্থিক অৱস্থা ভাল নহয়। তাইৰ ঘৰত মা-দেউতা আৰু এজন ভাইটি আছে। পুৰবী কলেজত পঢ়ে। ঘৰৰ সকলো কাম-কাজ পুৰবীয়ে কৰিব লাগে বাবে তাইৰ কষ্ট হয়। তথাপি তাই কষ্টৰ মাজেৰে পঢ়া-শুনা কৰি আছে। তাই ঘৰৰ কাম-কাজ কৰিব লগা হয় কাৰণ তাইৰ মাক ৰাতি পুৱাই কাম কৰিবলৈ যায়। পুৰবীৰ দেউতাকে ঘৰখনৰ কথা চিন্তা নকৰে । ৰাতিপুৱা উঠিয়েই ভাত কেইটামান খাই দিনৰ দিনটোৰ বাবে ঘৰৰ পৰা ওলায় যায, গধুলি হ'লে মদ খাই ঘৰলৈ উভতি আহে আৰু মাকৰ লগত কাজিয়া কৰে। কেতিয়াবা তাই মাকৰ মুখলৈ চালে দুচকুৰে দুধাৰি চকুলো বৈ আহে। মাকৰ দুখ দেখি তাই সহ্য কৰিব নোৱাৰে। এই পৃথিৱীত মাকৰ দৰে নিঃস্বাৰ্থ মৰম-চেনেহ কোনেও দিব নোৱাৰে। নিজৰ সন্তানৰ বেমাৰ হ'লে মাকে খাবলৈ, শুবলৈ পাহৰি যায়। ল'ৰা-ছোৱালীৰ টোপনি নাহিলে নিজেও টোপনি বাদ দিবলৈ কুণ্ঠাবোধ নকৰে। ল'ৰা-ছোৱালীৰ সুখত সুখী হয় দুখত দুখী হয়। নিজৰ ল'ৰা-ছোৱালীৰ সুখৰ বাবে মাকে সকলো সুখ ত্যাগ কৰিব পাৰে। কিন্তু আমি মাৰ সুখৰ কাৰণে কি কৰিব পাৰিলো। ডাঙৰ মানুহ হৈ আমি নিজৰ মা-দেউতাৰ সুখৰ কথা পাহৰি যাও। বৃদ্ধ অৱস্থাত মা-দেউতাক চোৱা-চিতা কৰিবলৈ পাহৰি গৈছো। মাকে নিজৰ সন্তানৰ পৰা ধন-সম্পত্তি নিবিচাৰে, বিচাৰে মাথো মৰম-চেনেহ আৰু সঁহাৰি। পুৰবীয়ে নিজৰ মাকৰ সুখৰ কাৰণে সকলো দুখ সহ্য কৰি হলেও পঢ়া-শুনা কৰিব। নিজৰ ভৱিত থিয় দি মাক-দেউতাকক সুখ দিব। পুৰবীৰ দেউতাকৰ কথা ভাবিলে খং উঠে। দেউতাকে ঘৰখনৰ কথা চিন্তা নকৰে কেৱল মদ খাই কাজিয়া কৰে। এইবোৰ কথা ভাৱি থাকোতে কেতিয়া তাইৰ টোপনি আহিল ক'ব নোৱাৰিলে।

ৰাতিপুৱা উঠি তাই ঘৰৰ কাম-কাজ কৰি ভাত খাই কলেজলৈ বুলি ওলাল। তাই ঘৰখনৰ কথা ভাবি ভাবি ৰাস্তাৰে খোজ কাঢ়ি গৈ আছে। এনেতে পুৰবীৰ চকু গ'ল ৰাস্তাত কাম কৰি থকা মানুহ কিছুমানৰ ওপৰত। ৰ'দ, বতাহ, বৰষুণলৈ ভয় নকৰি কেৱল কেইটামান টকা পোৱাৰ আশাত মানুহবোৰে কাম কৰি আছে। পুৰবীৰ মাকৰ কথা মনত পৰিল । তাইৰ মাকেও এনেদৰে কাম কৰে-ৰ'দ, বতাহ, বৰষুণলৈ ভয় নকৰি। মাকৰ কথা মনত পৰাৰ লগে লগে তাইৰ দুচকু সেমেকি উঠিল। কিমান দুখ-কষ্টেৰে সিহঁত দুয়োটাৰে পঢ়া খৰছ দি আছে। তাইৰ বেয়া লাগে মাকৰ কষ্ট দেখি। গধুলি যেতিয়া মাকে কাম কৰি ঘৰলৈ উভতি আহে, মাকৰ ভাগৰুৱা দেহাটোলৈ চাই এনেকুৱা লাগে যেন বকুখনত কোনোবাই শিলেৰে আঘাত কৰিছে। তাই মনতে ভাৱে মাকৰ দুখ-কষ্ট তাই আঁতৰ কৰি মাকৰ সপোন তাই পূৰণ কৰি মাকক সুখ দিব।

আগদিনাৰ দৰে আজিও ৰাতি পুৰবীৰ দেউতাকে আকণ্ঠ মদ পান কৰি মাকক অশ্লীল গালি-গালাজ কৰাৰ উপৰিও বেয়াকৈ মাৰ-ধৰ কৰিলে। মাকে হিয়া ধাকুৰি কান্দিবলৈ ধৰিলে। নীৰৱে দেউতাকৰ নিৰ্যাতন সহ্য কৰি থাকিল। পুৰবীয়ে অনিমিষনেত্ৰে মাকৰ অসহায় মুখখনলৈ চাই থাকিল। এটা সময়ত দেউতাক মদৰ ৰাগীত বিচনাত শুই পৰিল।

ৰাতি পুৱাল। আগনিশাৰ ঘটনাটোৱে দেউতাকক সঁচাকৈয়ে মনত বৰ দুখ দিলে। তেওঁ মৰ্মান্তিক অনুতপ্ত হ'ল।

মদ নাখাও বুলি প্ৰতিজ্ঞাবদ্ধ হ'ল। বহুত মদপীয়ে মদ এৰাৰ প্ৰতিজ্ঞা ৰক্ষা কৰিব নোৱাৰে। পুৰবীৰ দেউতাক পিচে তেওঁৰ প্ৰতিজ্ঞাত অলৰ-অচৰ হৈ থাকিল। তাইৰ দেউতাকেও আজি-কালি ঘৰৰ কথা ভাৱে। দেউতাকে আজি-কালি সিহঁত দুয়োটাকে বহুত মৰম কৰে আৰু মাকৰ লগতো কাজিয়া নকৰে। আজি বহু দিনৰ মূৰত তাই মাকৰ মুখত হাঁহি দেখি আনন্দিত হৈছে। খিবিকিখন খুলি লৈ তাই দূৰণিৰ আকাশখনলৈ চাই আছে। আকাশত তৰা বোৰে জিলমিল কৰি আছে। তাইৰ আজি ভাল লাগিছে। এনে এখন হেঁপাহৰ ঘৰহে তাই বিচাৰিছিল য'ত থাকে সুখ-শান্তি, মৰম-চেনেহ আৰু মিলা-প্ৰীতি। এনে এখন ঘৰ থাকিলে মনত সুখ শান্তি থাকে। পুৰবী আজি চাৰিওদিশে মাথোন পোহৰ দেখিছে। তাইক আৰু জীৱনত জীয়াই থাকিবলৈ একো নালাগে। ☐☐☐

কবিতা

# মিছিল

- ড° অবলা ভূঞা -
*অসমীয়া বিভাগ*

পাখি লগা বতাহ জাকে
দশোদিশ কঁপাই
সমদলৰ কণ্ঠস্বৰ বিলাই দিলে
জপনা খুলি কাণ পাতি শুনিলো
এই কণ্ঠস্বৰ ৰুগ্ন হৃদয়ৰ নহয়
এই স্বৰ সভ্যতা সংস্কৃতিক জীয়াই ৰখাৰ।
মই থিৰেৰে থাকিব নোৱাৰিলোঁ
মোৰ হাত ভৰি ভঙা
তথাপি মই যামেই
জোনাকৰ গান গোৱা
সমদলত যোগ দিবলৈ
সমদলৰ মন সেউজীয়া
সমদলে ৰঙা ফুলৰ গামোচাত
ক'লা দাগ নলগায়
ড'ড চৰাইক নামাৰে
কেনভেৰিয়া মেজৰৰ জীৱন ধ্বংস নকৰে
জানকী হৰণত বাধা দিওতে অসুৰৰ অস্ত্ৰত
জটায়ুৰ পাখি কটা গ'ল
ৰাৱনৰ যাত্ৰা আছিল, অকলশৰীয়া, কামান্ধ
জটায়ু মৰিল
এটি প্ৰাণে মুক্তি পালে।

পৱন পুত্ৰই নিজৰ নেগুৰ পুৰি
স্বৰ্ণ লংকাত জুই দিলে
শান্তিৰ বাবে নহয়, স্বাৰ্থৰ বাবেই
মই হেৰাই গ'লো সভ্যতা, সংস্কৃতি
বিচৰা সমদলত
পোহৰ বিচাৰি যোৱা সমদলত, জোনাকত গানগোৱা সমদলত।

# এপাহি গোলাপ

- সহজিৎ ৰাভা -

মোৰ জীৱন ফুলনিত ফুলা
এপাহি গোলাপ
তাইক সুধিলো
তুমি মোৰ
সংগী হবানে?
বহুতো স্মৃতি
বুজা-নবুজাৰ
কৰিলো সংলাপ।
পাহি তাইৰ
চিঙিব খুজিলো
হঠাৎ আঙুলি মূৰত
বিন্ধালে হুল
দুবাহুৰে আকোৱালী
লব খুজিলো
কিন্তু; হৃদয়ক
বিষাদ কৰি
তাই আতৰি গ'ল
তথাপিও তাই
মোৰ জীৱন ফুলনিৰ এপাহি গোলাপ।

❑❑❑



# অপেক্ষা

- সুস্মিতা দাস-
উঃ মাঃ ১ম বৰ্ষ

বহুদিন কৰিলোঁ
তোমালৈ অপেক্ষা,
হৃদয়ত সযতনে ৰখা শব্দবোৰ
এতিয়া বৰফ হৈ গলি গ'ল
গৰখীয়াই পানী খোৱা নৈখনৰ
শীতল পানীও শুকাই গ'ল।
এতিয়া হয়তো সিহঁতৰ অপেক্ষা
এজাক বৰষুণৰ,
সিহঁতে অনুভৱ কৰিছে
অপেক্ষা কিমান বেদনাদায়ক
হৃদয়ৰ বালি চাপৰিত
মই মোৰ সতে কথা পাতিছোঁ
হয়তো এতিয়া হৃদয়খনো ভাগি যাব
তোমাৰ অপেক্ষাত।

❑❑❑

# এটি আবেলি

- নন্দিতা ৰাভা
স্নাতক প্ৰথম ষান্মাষিক

এটি নীৰৱ আৰু নিস্তব্ধতাৰ আবেলি
সেই সময়তে যেন নীলা আকাশ আহিছিল
মোক অকলশৰীয়াকৈ দেখি।
ৰাঙলী সূৰুযেও বিদায় মাগিছিল
পিছদিনা লগ পোৱাৰ প্ৰতিশ্ৰুতি দি
গছ-গছনিও মৌনতাক অৱলম্বন কৰিছিল
পৃথিৱীৰ সৌন্দৰ্যৰ কথা ভাবি ভাবি।
সেই সময়তে আহিছিলা তুমি
ভাৱমূৰ্তি ধাৰণ কৰি মোৰ মনৰ মাজত।
আকোৱালি লৈছিলো মই
তোমাৰ মৰম ভালপোৱাবোৰ দুহাতেৰে।
আৰু বুকু উজাৰি গাইছিলো
নীৰৱতাৰ এটি গীত।
যেন নিজৰ মনতে বিচাৰি পাওঁ
প্ৰকৃতিৰ সুখ-শান্তিবোৰ।

□□□

# স্বদেশ প্ৰেম

- অজন্তা দাস -
উঃ মাঃ ১ম বৰ্ষ

মোৰ দেশ এখন শুৱনি দেশ
মোৰ দেশৰ গৌৰবৰ কোনো অন্ত নাই
নিজৰ দেশৰ প্ৰতি প্ৰেম মোৰ অপাৰ
আহিব নিদিও কোনো বিদেশীক
আহিব নিদিও কোনো সন্ত্ৰাসবাদীক
প্ৰতিটো সমস্যাৰ পৰা বচাবলৈ
আগবাঢ়ি যাম মই, আগবাঢ়ি যাম মই
এই সুন্দৰ দেশখনক আৰু মনোমহা
কৰি তুলিবলৈ মই সদায় সাজু
মই সদায় আগ্ৰহী
মোৰ দেশ মোৰ আপোন দেশ
মোৰ দেশ মোৰ সপোনৰ দেশ।

□□□

## প্ৰতিশ্ৰুতি

- সুস্মিতা ৰাভা -
উঃ মাঃ ২য় বৰ্ষ

এজাক ধুমুহাই উৰুৱাই লৈ গ'ল
মোৰ সকলো সপোন
ধুমুহাজাক বৰদৈচিলাও নহয়
সেইজাক ধুমুহা এটি বিষাদ
যি বিষাদে আনিছিল এদিন
মোৰ জীৱনলৈ প্ৰণয়....
আনিছিল বহুতো আশা-ভৰষা
আজীৱনৰ প্ৰতিশ্ৰুতি আজি ইয়াৰ অন্ত পৰিল
এজাক ধুমুহাই উৰুৱাই লৈ গ'ল
মোৰ নিস্বাৰ্থ প্ৰেম....
অন্ত মোৰ আশা-ভৰষা
আজীৱন প্ৰতিশ্ৰুতিৰ প্ৰেম
উদং বকুত ৰৈ গ'ল মোৰ
অতীতৰ স্মৃতিবোৰ
সেই স্মৃতি
আজীৱনৰ প্ৰতিশ্ৰুতি....।

□□□

## নিশ্চয় এদিন

- নিতুল নাথ-
উঃ মাঃ ১ম বৰ্ষ

নিশ্চয় এদিন মনত পৰিব
মোৰ দৰে এটি নিথৰুৱা
কৰি থৈ যোৱা জীৱনক।
হয়তো বুজিব নোৱাৰিবা
যিহেতু তুমি আৰু বহুতক
দিছিলা এনেহেন
আধৰুৱা সপোন ৰচিবলৈ....!
তথাপিও নিশ্চয় এদিন
মনত পৰিব..... তোমাৰ
যিদিনা মই মৰণক
আগত লৈ থিয় হম
সত্যত উপনীত হ'বলৈ
তুমি ভাবিবা মোৰ কথা
নিশ্চয় এদিন..... মনত পৰিব।

□□□

# প্ৰজন্ম

- সুমিতা ৰাভা -
উঃ মাঃ ১ম বৰ্ষ

হে মহান প্ৰজন্ম
তোমালোক এতিয়াই
সুশ্ৰীৰ বকুত
আশ্ৰয় নলবা
কাৰণ এতিয়াৰ
শান্তিৰ কপৌজাক
নিঃশেষ হ'বলৈ ধৰিছে
কাৰণ এতিয়া চাৰিওফালে
ধৰ্ষণ-অপহৰণ-জাতি-ধৰ্মৰ
ভীষণ যুঁজ.....
তোমালোক তেতিয়া আহিবা
যেতিয়া শান্তিৰ কপৌজাক
পুণৰ ধৰাৰ বুকুত সুখ আনিব
মানুহে মানুহক চিনিব
জীৱন নদীত জোনাক নামিব
মৰহি যোৱা গছত
আশাৰ ফুল ফুলিব
তেতিয়া সবে হাতে হাত ধৰি
আগবাঢ়ি যাম
মানৱতাৰ জয়গীত গাম.....।।

□□□

# প্ৰিয়তমাৰ সান্নিধ্য

- মণিদ্বীপ ৰাভা -
উঃ মাঃ ১ম বৰ্ষ

উৰঙা বতাহ জাকে
আজি বৰকৈ আমনি কৰিছে
খিৰিকীৰ আঁচল উদঙাই
মোৰ কোঠাটোত জ্বলি থকা
মৰমৰ শিখাক
বহুদিন আন্ধাৰত ঘুৰি ফুৰি
কোঠাটোৰ এচুকত মম এটুকুৰা পাই
জ্বলাইছিলো নিজানে
কিন্তু খিৰিকীৰ উৰস
বতাহ জাকে নিদিয়ে
মমৰ জীৱন আৰম্ভ হ'বলৈ
আৰু..... আৰু.....
মোৰ জীৱনত পোহৰ আনিবলৈ
পৃথিবীত শত্ৰুৰ অভাৱ নাই
জীৱন আৰম্ভ হৈছে যেতিয়া
ধিমিক-ধামাক পোহৰতে
আন্ধাৰৰ দৰেই সুখ দুখও আছে।।

□□□

# এপাহি ফুল

- হিমাশ্ৰী দাস -
উঃ মাঃ ১ম বৰ্ষ

এপাহি ফুলক ৰাখিছিলো
বৰ মৰম আৰু হেঁপাহেৰে
কিন্তু ফুলপাহিক কোনোবাই
চিঙি কৰিলে টুকুৰা টুকুৰ
সেই ফুলপাহত আছিল
মোৰ মৰম, ভালপোৱা,
সুখ, দুখ সকলো
নাপাওঁ মই ঘুৰাই
মোৰ সেই ফুলপাহক
মই সপোন দেখিছিলো
সেই ফুলপাহক লৈ.....
কিন্তু আঁতৰ কৰিলে সেই ফুলপাহকমোৰ পৰা
যাৰ বাবে মইও
মোৰ হৃদয়ৰ পৰা আতৰি থাকিলো
পামনে মই আৰু ঘুৰাই
মোৰ মনৰ সেই এপাহি ফুলপাহিক.....।

❑❑❑



# বন্ধুত্ব

- জয়শ্ৰী মেধি -
উঃ মাঃ ১ম বৰ্ষ

বন্ধুত্ব এটা মিঠা লগা স্মৰণ
য'ত থাকে এমুঠি মৰম
একাঁজলি প্ৰেৰণা আৰু
পাহৰি নোযোৱা কিছুমান স্মৃতি
দিন যায় অতীত হেৰায়
কিন্তু বন্ধুত্বৰ স্মৃতি কেতিয়াও নেহেৰায়
বন্ধুত্ব এটা মিঠা লগা স্মৰণ
য'ত থাকে বিশ্বাসৰ এনাজৰী
যাৰ দুখত নিগৰে দুচকুৰ পানী আৰু
সুখত বিৰিঙে ওঁঠৰ বাঁহি
এই বন্ধন ৰাখিবা জীয়াই
নহয় যেন কেতিয়াও দুদিনীয়া চিনাকী।।

❑❑❑

# দেউতা

- চেতনা ৰাভা -
উঃ মাঃ ২য় বৰ্ষ

হঠাৎ এদিন শূণ্য কৰি
সকলোকে কন্দুৱাই
আঁতৰি গৈছিল অচিনাকী পৃথিৱীলৈ
যাৰ সৈতে জড়িত মোৰ আশা-আকাংক্ষা
যিজনে গঢ়ি দিছিল
মোৰ ভৱিষ্যৎ
হয় সেইজন মোৰ দেউতা
যাক পাহৰিব নোৱাৰি
দেউতা বিহীন জীৱন
কিমান কষ্টকৰ।

❑❑❑

## ঠিকনা

- নিতামণি দাস -
উঃ মাঃ ১ম বৰ্ষ

ঠিকনা মোৰ বিচাৰিবা
ফাগুনৰ সৰা পাতত
আৰু সুধিবা শাবদী পুবাৰ
তল সৰা বকুলক
ওৰণিৰ তলত চাই লবা মোৰ
ৰঙা ফোট কপালত
বিচাৰিবা মোৰ ঠিকনা তুমি
হেঙুলীয়া আকাশত
আনিবতো পাৰো মৃদু সুবাসে
তুমি ভালপোৱা গান
ডাৱৰে ঢকা জোনে কৈ দিব
মোৰ ক'ত অভিমান
ঠিকনা মোৰ বিচাৰিবা
প্ৰভাতী গীতৰ সুৰত
আৰু সুধিবা শাৰদী পুবাৰ
তল সৰা বকুলক।।

□□□

## বিদায়

- ৰীয়া চন্দ -
উঃ মাঃ ১ম বৰ্ষ

বেদনা ভৰা অশ্ৰু অঞ্জলীৰে
তোমাক বিদায় দিবলৈ ওলাইছো
এয়া মোৰ জীৱনৰ প্ৰথম চকুলো
হাঁহো হাঁহো কৰা মুখমণ্ডলত
কিয় আজি বিষাদৰ চিন
নাই আজি তোমাৰ নয়নত
সেই উজ্বল চাৱনি
খোজত নাই চঞ্চলতা
মুখত নাই চঞ্চল স্বৰ
মাথো তোমাৰ চাৱনিত
ফুটি উঠিছে
এটোপাল নিৰ্মল অশ্ৰু
হয়তো এয়া আমাৰ শেষ মুহূৰ্ত্ত
মোৰ আত্মাৰ কৰুণ
দৃষ্টি নিক্ষেপ কৰাৰ।
হঠাৎ মই নভবাকৈ অহা
এজাক কুৰুৱা বতাহে
লৈ গ'ল বহু আঁতৰলৈ।।

□□□

## মোৰ মন

- ডিমী বসুমতাৰী -
উঃ মাঃ ১ম বৰ্ষ

মনৰ আছে বহু কথা
যাক ক'ব নোৱাৰো
মনত আছে বহু দুখ
যাক দেখুৱাব নোৱাৰো
যাক ভাবো আপোন
সিয়ে যায় আঁতৰি
সহিব নোৱাৰো
এই বেদনা ৰাজি
সাগৰ ইমান গভীৰ
জুখিব নোৱাৰো
দুখ মোৰ মনৰ মাজত
হাঁহিব নোৱাৰো।

□□□

## অনুভৱ

- আজমিন আখটাৰ -
*স্নাতক ষষ্ঠ ষাণ্মাষিক*

তোমাৰ কথা যেতিয়াই অনুভৱ কৰো
খেপিয়াই চাওঁ গোপনে তোমাক
তুমি এসাগৰ কোমল জোনাক
তোমাৰ অকৃত্ৰিম মিঠা মৰমত
পমি যাব খোজে
এই আকাশ নীলা।
তুমি প্ৰেৰণা মোৰ,
মোৰ তুমি মনৰ মানুহ।
তোমাৰ বুকুৰ গভীৰতাত পাৰ কৰি দিব খোজো
নিয়ৰসনা নিশাবোৰ
সংগোপনে, অতি গোপনে।
প্ৰভাতী কিৰণ সিঁচি
ছটিয়াই দিয়া তুমি
এজাক সেউজীয়া মোৰ বুকুৰ মাজত
মতলীয়া হ'ব খোজা
অস্তগামী সূৰুযৰ দৰে
তোমাৰ হেঙুলীয়া সান্নিধ্যত।

□□□

## প্ৰেমৰ স্মৰণ

- পূৰবী সৰকাৰ -
*স্নাতক ২য় বৰ্ষ*

তুমি জীৱনৰ একমাত্ৰ
হিয়াৰ আলসুৱা ছবি
হৃদয়ৰ স্খলিত
তুমি মোৰ সকলো
তোমাৰ মৰমেৰে
মই আঁকি লওঁ
হিয়াৰ দুধাৰি মৰম
সঁচাইয়ে তুমি মোৰ নে?
তুমি মোৰ মনৰ দাপোণ
তোমাৰ মাজতে থকা দিগন্ত
কোন সেই তুমি
ফুলৰ পাহিৰ পাপৰি
তুমি কেতিয়াও সলনি নহ'বা
হিয়াৰ ফুলৰ বিচিত্ৰৰ
ৰিণিয়াই থকা ঝিন্ ঝিন্
শব্দৰে মোৰ দিয়াৰ আঁচলত
তুমি মোৰ আপোনজন
নহয় জানো
জানানে তুমি
তোমাক কিমান ভালপাও
হিয়াৰ ফুলৰ ৰাণী
মোৰ বুকুৰ মাজতে ৰবা
চিৰদিন সাবটি ৰাখিম
আলফুলে সোঁৱৰাই।।

□□□

# আই অসমী

- দ্বীপজ্যোতি দাস -
*স্নাতক তৃতীয় ষান্মাষিক*

চিৰ সেউজীয়া মোৰ অসমী আই
নানা জাতি-উপজাতিৰে ভৰা।
ইয়াত জন্ম লভি শংকৰ মাধৱে
প্ৰচাৰিলে অমৃতৰ বাণী।
কীৰ্ত্তন-দশম, গীত-নাট ৰচি
অসমীয়াক ৰাখিছে মুহি।
তোমাৰ সাহিত্য-সংস্কৃতিৰ কিৰণেৰে
উজ্বলাই ৰাখিছা অসমৰ আকাশ।
মানৱক দিলা একতাৰ এনাজৰী
বৰলুইত ইপাৰ সিপাৰ কৰি
গঢ়িছিলা অসমৰ ভেটি।
কিন্তু অসমী আইৰ আজি
কি কৰুণ পৰিণতি
চাৰিওফালে কেৱল
হিংসাৰ দাবানল
গুলী বাৰুদৰ ধোঁৱাই
কৰিছে অসমী আইক ৰাঙলী।
তথাপিও ৰাখিছা ধৰি
অসমৰ ৰহনীয়া কৃষ্টি
সেয়েহে গৌৰৱ কৰো
তোমাৰ পৰিচয়ৰে
নিজক অসমীয়া বুলি।

□□□

# আহ্বান

- অনামিকা ৰাভা -
*উঃ মাঃ ২য় বৰ্ষ*

অসমীৰ অস্ত গামী নিশাক
উজ্বলাই তুলিবলৈ
বিলাবলৈ জনগণৰ
মাজত শান্তি,
হে জনগণ! জাগ্ৰত হোৱা
আগবাঢ়ি আহা
জ্বলাবলৈ জ্ঞানৰ বন্তি;
উজ্জীৱিত কৰা
নিজানত থকা
মহাবাহুৰ শক্তি
আন্ধাৰৰ পৰা
উলিয়াই আনি সাহসক কৰা মুক্তি।।

□□□

# অভিমানী নিজৰা

- মনোমীতা ৰাভা -
*স্নাতক প্ৰথম ষান্মাষিক*

কিদৰে দেখুৱাইছা তোমাৰ
স্ৰত চঞ্চলতা
নোৰোৱা কাৰো বাবে নোচোৱা কাকো
বৈ আছা মাথোন তোমাৰ গতিৰে
বিৰামহীন ভাৱে
তথাপি তোমাক পাহাৰৰ
নিৰ্জীৱ শিলবোৰে আগচি ধৰে
তথাপিতো তুমি তোমাৰ
বিৰামহীন গতিৰে বৈ আছা
আগচি ধৰিলে জানো
তোমাক ৰাখিব পাৰিম.......?
তোমাৰ আৰু শিলবোৰৰ মাজত
সৃষ্টি হৈছে এটি মধুৰ সংগীত
ভোল গৈছে পাহাৰ, হাবি-বন
তোমাৰ আৰহমান ভংগীত।

□□□

# ব্যস্ততা

- ডেউজী দাস -
স্নাতক তৃতীয় ষাণ্মাষিক

যান্ত্রিকতাৰ ব্যস্ততাৰ বাবে
কাৰোৰে আহৰি নাই আজি
কিহৰ বাবে ইমান হাবাথুৰি
কিহৰ বাবে ব্যস্ততা?
মানুহবোৰ হৈ পৰিছে
একো একোটা যন্ত্ৰৰ দৰে
আনৰ দুখত দুখী
আনৰ সুখত সুখী
হ'ব নোৱাৰে আজি কোনোৱে
জীৱনটো যেন বহু দূৰলৈ
থেলি পথিয়াইছে
ভোগ-বিলাসৰ
একো একোখন সমাজ গঢ়িবলৈ
আজিৰ মানৱে মানুহৰ মনটো
চিনি নোপোৱা হৈছে
ব্যস্ততাৰ বাবেই যেন
উদঙাই দিছে মানৱতাৰ নগণ্য স্বৰূপ
যেন হৈ পৰিছে
এক বাস্তৱ সাঁথৰৰ দৰে।।

□□□

# তোমাক দেখাৰে পৰা

উঃ মাঃ ১ম বৰ্ষ

সেয়া আছিল তোমাক দেখাৰ প্ৰথম দিন
আৰু এটা দুপৰীয়া
কাজল সনা দুচকু
সেই চকুৰে আছিল মায়া সনা আৱেগ।
গুলাপী ওঁঠ,
যি ওঁঠত কম্পিত আৰু অপ্ৰকাশিত ভালপোৱা
আৰু এখন মুখ।
য'ত প্ৰতিভাত সৌন্দৰ্য্যৰ তেজৰঙা গোলাপ
কোনোবাক হিয়া দিয়াৰ অভিব্যক্তি।
এনেকৈয়ে আবদ্ধ প্ৰথম দিনৰ মায়া জালত
কাৰোবাক হেৰুৱাই কোনোবাক পোৱাৰ আকাঙ্খা
জ্বলি.....জ্বলি.....জ্বলি উঠিছিল
নুমোৱা শলিতা গছি।
গধুৰ হৈছিল বুকুখন অযুত আশাৰ অলেখ ভাৱনাত
সেই তেতিয়াই যৌৱনৰ সেউজীয়া দলিচাত
পুৱাৰ কোমল ৰ'দজাকে সাৱতিছিল
হৃদয়খন হৈছিল সাগৰ
য'ত ঢৌবোৰ হৈ পৰিছিল প্ৰেমৰ স্পন্দন
মৰমবোৰ হৈছিল গভীৰ।
বুকুখন চেচা হৈছিল অনুভৱৰ সমীৰণত
সেয়া তোমাৰ কাষত গ'লো বুকুৰ উম বিচাৰি
কিছু তপত অনুভৱৰ আশাৰে
মৰমবোৰ গুজি দিলো তোমাতেই।

□□□

## ফাগুন

- সোনমণি ৰাভা -

মই তোমাক বিচাৰো
প্ৰতিটো বসন্তৰ প্ৰেম আকুলুৱা
উমাল বুকুৰ মাজত।
মই নিবিড় হ'ব খোজো
তোমাৰ সতে, স্মৃতিৰ জোনাকবোৰত।
পলাশৰ ৰঙীণ আভাৰে
মই ৰক্তস্নাতা হ'ব খোজো
পুৰাতন প্ৰেমৰ সঁফুৰা খুলি
একান্ত হ'ব খোজো
তোমাৰ বুকুৰ মোহনাত
ফাগুন....
তোমাক হেৰুৱাব নোখোজো
যুগ-যুগান্তৰৰ কাহিনী সুঁৱৰি
তোমাৰ সান্নিধ্যৰ বাবে বিহ্বলী হৈ পৰো।
উৰুঙা মনৰ খিৰিকী খুলি
তোমাৰ আদি পাঠ পঢ়ো
বন্দিনী হিয়াত কিয় তুমি
তুলিলা গুঞ্জন? ফাগুন....
তুমিয়েনে মোৰ আজন্ম চিনাকী
জিপাল যৌৱন।

□□□

## ভূপেনদাক সোঁৱৰী

- মনোৰঞ্জন বড়ো -

হৃদয় জোকাৰিলা
মানৱতাৰ চাকি জ্বলালা,
উত্তপ্ত শিখা হৈ।
জাতিকুল নিবিচাৰি
মানৱ ধৰ্মক চিনিলা,
অহিংসা তোমাৰে
তোমাৰে মানৱতা।
কেতিয়াও নবুজিলো তোমাক
মানৱতাৰ সংগত;
নিবিচাৰিলে তোমাৰ
সেই অমৃতৰ মগ্নত।
অসমীয়া তোমাৰে
একমাত্ৰ আই,
ভাৰত অ তোমাৰে
বন্ধুত্ব ভাই।
বতাহ যিমানে দিন
এই জননীত
তোমাৰো সিমানে দিন
এই ধৰিত্ৰীত।

□□□

# হেঁপাহৰ বিকালী মহাবিদ্যালয়

- কৰবী দাস -
*উঃ মাঃ ২য় বৰ্ষ*

বিকালী মহাবিদ্যালয়
তোমাক নমস্কাৰ।
বহুজনৰ ত্যাগৰ সৃষ্টি
তুমি জ্ঞানৰ সৃষ্টিৰ ভাণ্ডাৰ।
তোমাৰ বিচ্ছুৰিত জ্ঞানৰ বিকশিত
ধূপধৰা চৌদিশে বিস্তাৰিত হ'ব সুগন্ধি।
বয়সত সফল সময়ত সফল
হৈ থকা তুমি চিৰ গৌৰৱোজ্বল
অপশক্তি, দুনীৰ্তি দূৰতে বিনাশী
তুমি হোৱা মহাশক্তিমান
তোমাৰ স্মৃতি ভঁৰালত
পাওঁ যেন আমি উদ্দাম গতি।
প্ৰণামিছো বাৰে বাৰে হে মহাবিদ্যালয়
এটি মাথো আশাৰ বন্তি
থকা যেন সদায় জিলিকি
হে আমাৰ শ্ৰেষ্ঠ মহাবিদ্যালয়।

□□□

# Where do the moments go

- Sundweep Boro -
*T.D.C. 1st Sem.*

I wonder where the moments go
The good moments, bad moments
Happy moments, sad moments
Funny moments, awkward moments
Where do they go?

Do they fly up in the air
Or, do they cross the rivers, moments or streams
Or go away with the days passes by
Or disappears with the time.

Leaving behind them the memories
Which gives us happiness and sorrows when looked back
It is unpredictable these moments, that were
Lost with just a flick of time.

Yet they come again and again and create new moments
And each moments leaves behind, with new memories
Which made me question myself
Where do the moments go.

□□□

# मुसुखा

– पंकज बर' –
उः माः द्वितीयबर्ष

हाखू-दाखु खालामनायावनो
फेस्लदना गोग्लै लांबाइ आं
थालिर बिगुशत गाफलांना,
बेखायना जोबोर लाजी थारो आंहा।
लामाव सिखला फोरखौ नुना,
देलाइ मालाइ समायना जारो
सानफ्रोमबो नायबाय थायो आं
खावख्लाबसे बायनाय आयना
नुयो मावो खालि सालमाय,
सिखला फोरखौ खुनायो माथो
माबा Cream फुनो होनना,
लायो आं सुनै साननना
दांखि जोबबाप आंनि मोखाडा
Doctor नि सेराव थांनो
आंनि आफाहा Car गैया,
बेखायनो लाजिना गानो आं मुसुखा।

□□□

# बाथौ

मुश्री बिरहां खाखलारी

हे, आफा बोराय बाथौ
नों नोंनि बयनिबो सोरजिगिरि
हे, आफा बोराय बाथौ
गोसो मोदोम जिउ बाउना।
खुलुम हरदों नोंखौ
बाथौ गुदियाव जना।
खैफोदआव गोग्लैना,
खोमजियाव आनदायना
आरज गाबो जों दिनै
जोंथि आलारि फोजोंना
बोर होगोन सानजानै
हे, आफा बोराय बाथौ
नों जोंनि बयनिबो
राहागिरि
आफा सान-हर जोंनो
आफा अननाय हर जोंनो
जोंनि गोरबो गोसोआव
अराय सम आरो गोजोन
रायजो जानो दानि जुगाव।
हे, आफा बोराय बाथौ
नों जोंनि बयनिबो
सोरजिगिरि।
हे, आफा बोराय बाथौ
नों जोंनि बयनिबो
राहा गिरि

□□□

# नों फैगोन होननानै

– निरुपमा हाज'वारी –
उः माः द्वितीयबर्ष

नों फैगोन होननानै
नेना दङआं गोसोनि लांगोनायाव
निजोम सुदेम मोनाबिलि आव
धुप-धुना सावनानै
आलारि बाथि सावनानै
बिबारनि माला सुनानै
आरनाय गांसे लानानै
बरायनो सान्दोंमोन नोंखौ
आंनि गोसो मन्दिराव।
लामा नायोब्लाबो नुनो मोना
रादाय होनानैबो नों
मानोबा सफैदिया ?
जेबो आगोर मोना
नों बोथो मिथियाखै
आंबोयी बुंलियाखै
नोंखौ आं बेसे हारुथायो
हाथायो गोसो आव नोंजों
अराय सम गोरोब फानो।

□□□

# आनन गसाइ

- खुनिन्द्र बर' -
स्नातक द्वितीय षान्मासिक

गियान हर, आफा आनन गसाइ
गोथार गोसोजों नोंखो सिबिनो।
गोहो हर, आफा आनन गसाइ
दूलाराय बुहुमखौ कोथांनो।
गियानजों खौसेथि लाबोगोन,
गोहोजों सुथुरखौ होबथागोन।
मानसिया मानसिजों सुथुर जाबाय
गावजों गाव एना-एनि जाबाय।
बिमा-बिफाखौ सिबिनो गारबाय।
आफा आनन गसाइ
सिबिनो रोङाखै आफा
नोंखौ सिबिनो रोङाखै।
दैमा-दैसा, हाजो-हाला
बिकां-लाइफां, दाउसिन-दाउलाजों
बुंफबनय नोंनि
समायना बुहुमखौ फोजोबस्रांबाय
दावराब-दावसि जालांबय
आफा आनन गसाइ।
गियान हर, आफा आनन गसाइ
गोथार गोसोजों नोंखै सिबिनो।
गोहो हर, आफा आनन गसाइ
दूलाराय बुहुमखै फोथांनो।

□□□

# सांग्रां बैसो

- निर्मल बड़ो -
उ: मा: द्वितीयबर्ष

लूबैयो अराय
लाइमोन बैसोआव
सेंग्रा सिरलानि गोसोया
उदां थाबाय थानायनि।
मोगा-मोगि जायो
सेंग्रा सिरल्लानि गोसोआव
बायदि मैया
जेथो गोनां सोलायनायनि।
लाइमोन बैसो
गोदान जांख्रिथाइनि सम
बायदि रोखोमनि
नांगोथिया नुजायो
गुलाय-गुजायनि थाखाय
बे समाव सोलो-जिउ
राहा बाडो
आन्थोर जाबोयो हाबिलासनि
गोथोवै मिथिनो थाखाय।
जाबोयो बिग्रायारि
गुफुं महराव
गावनि गोसो दैदेनलांनो
हायाब्ला समनि सोरखियाव।
दैहुनि दैया महर गैया
लाइमोन बैसोआव
सेंग्रा सिख्लानि
साननाय लुबैनाया अनजिमा गैया।

□□□

